।। চিৰ চেনেহী মোৰ ভাষা জননী।।

# লক্ষীমপুৰ জিলা সাহিত্য সভাৰ

## দ্বি-বাৰ্ষিক কাব্য পত্ৰিকা

## (দ্বিতীয় সংখ্যা)

# কাব্য কানন

## ২০২৫ - ২০২৭ বৰ্ষ

**সম্পাদক**

**অপৰাজিতা হাজৰিকা**


**লক্ষীমপুৰ জিলা সাহিত্য সভা**

মুখ্য কাৰ্যালয় ঃ লক্ষীবিলাস শইকীয়া ভৱন

মৈদমীয়া, লক্ষীমপুৰ-৭৮৭০৩২

## জিলা সাহিত্য সভা পত্ৰিকা
**২০২৫ - ২০২৭ বৰ্ষ**
**(দ্বিতীয় সংখ্যা)**

**পত্ৰিকা সম্পাদক ঃ**
অপৰাজিতা হাজৰিকা

**প্ৰচ্ছদ ঃ**
নিপন পূজাৰী
ভাস্কৰ শৰ্মা

**অক্ষৰ বিন্যাস আৰু অংগসজ্জা ঃ**
বোধেন বৰুৱা

**অৰিহণা ঃ**
৮০/- টকা

**মুদ্ৰণ ঃ**
আঙ্গিক প্ৰেছ
আমবাৰী, গুৱাহাটী-১


# কাব্য কানন


লক্ষীমপুৰ জিলা সাহিত্য সভাৰ বাৰ্ষিক কাব্য পত্ৰিকা ঃ ২০২৫-২৭ বৰ্ষ
(দ্বিতীয় সংখ্যা)

## সম্পাদনা সমিতি

সঞ্জীৱ উপাধ্যায়, সভাপতি

অপৰাজিতা হাজৰিকা, সম্পাদক

নিপন পূজাৰী, সহযোগী সম্পাদক

ড° স্বপ্নালী গগৈ, সদস্য

স্যমন্ত হাজৰিকা, সদস্য

প্ৰকাশক ঃ
প্ৰবীণ হাজৰিকা, সম্পাদক, লক্ষীমপুৰ জিলা সাহিত্য সভা।

মুখ্য কাৰ্যালয় ঃ
লক্ষীবিলাস শইকীয়া ভৱন, মৈদমীয়া,
লক্ষীমপুৰ-৭৮৭০৩২





# শ্ৰদ্ধাঞ্জলি

কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ আদৰ্শক বুকুত বান্ধি
অসমীয়া সংস্কৃতিৰ বাট সেন্দুৰীয়া কৰা
আমাৰ প্ৰাণৰ শিল্পী
অসমীয়া সংগীতৰ কিংবদন্তী
মানৱ দৰদী
সুৰৰ যাদুৰে বিশ্বক বিচ্যুত কৰি অমৰ হোৱা
প্ৰকৃতি প্ৰেমী
হৃদয়স্পৰ্শী বাৰ্তাৰে ছবিঘৰত
সমাজৰ ছবি আঁকা
নৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ব,
হামিং কিং অৱ ৰন্ড **জুবিন গাৰ্গলৈ**
যাচিলো গভীৰ শ্ৰদ্ধাঞ্জলি।।

*-- সম্পাদনা সমিতি*

# সোঁৱৰণী

স্ব-প্ৰতিভাৰে জীৱন সজোৱা,
শিক্ষাৰ বিশাল ক্ষেত্ৰখনত
স্বৰ্ণপদক বুটলিবলৈ
সক্ষম হোৱা,
বিহপুৰীয়াৰ জীয়ৰী
**বন্দনা বৰাৰ**
অকাল বিয়োগত
ম্ৰিয়মান হৈ
আমি তেখেতলৈ
যাঁচিলো
গভীৰ অশ্ৰু-অঞ্জলি।



**প্ৰয়াত বন্দনা বৰা**
জন্ম ঃ ০১/১১/১৯৮৬
মৃত্যু ঃ ৩১/০৩/২০১৮

## শতধন্য পিতৃ-মাতৃলৈ.....

প্ৰয়াত বন্দনা বৰাৰ পিতৃ শ্ৰীযুত যোগেন বৰা আৰু মাতৃ শ্ৰীযুতা গোলাপী ভূঞা বৰাকে মুখ্য কৰি পৰিয়ালবৰ্গলৈ 'কাব্য-কানন'ৰ সম্পাদনা কক্ষৰ পৰা আপোনালোকে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে কৃতজ্ঞতা আৰু ধন্যবাদৰ সঁফুৰা আগবঢ়ালোঁ।

আপোনালোকৰ অৱদান জনসমাজৰ পাথেয় হওঁক।

**ড° বসন্ত কুমাৰ গোস্বামী**
**সভাপতি**

# অসম সাহিত্য সভা

**কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১**
**গুৱাহাটী কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১**

আঞ্চলিক কাৰ্যালয়
ৰাংছিনা ভৱন, ডিফু-৭৮২৪৬০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১
ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড়-৭৮৬০০৩
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১
উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লক্ষীমপুৰ-৭৮৭০০১
কমলাদেৱী তোদী স্মৃতিভৱন, মহীচন্দ্ৰ বৰা পথ, নগাঁও-৭৮২০০১
অচ্যুত নিবেদিতা মেধি সাহিত্য ভৱন, জালাহ-৭৮১৩২৭
সাহিত্য সভা প্ৰকল্প, মঙলদৈ, দৰং-৭৮৪১২৫
১/১৪ বি-সৎসঙ্গ বিহাৰ মাৰ্গ, ব্লক এ, কুটুব ইন্সটিটিউচেনেল এৰিয়া, নতুন দিল্লী, ১১০০৬৭

প্ৰসংগ নং ঃ ..........................................

তাৰিখ ঃ ০৫-০১-২০২৬

## শুভেচ্ছা বাৰ্তা

পূৰ্বৰ বৰ্ষসমূহৰ দৰে এই বৰ্ষতো লক্ষীমপুৰ জিলা সাহিত্য সভাৰ দ্বিবাৰ্ষিক কাব্য-পত্ৰিকা **কাব্য-কানন** প্ৰকাশৰ যো-জা কৰা বতৰাত আহ্লাদিত হৈছোঁ। জিলা সভাখনিৰ আগন্তুক মধ্যকালীন অধিৱেশনত এই পত্ৰিকা প্ৰকাশৰ দিহা কৰাটো সন্তোষৰ খবৰ।

অনুভৱ, শব্দ আৰু ধ্বনিৰ সুসমন্বয়ত কবিতাৰ সৃষ্টি হয়। কবিৰ অনুভৱৰ গভীৰতা, প্ৰকাশভংগীৰ মাধুৰ্য আৰু সমকালীন সমাজ চেতনাই কবিতাক কালজয়ী ৰূপ দিয়ে। লক্ষীমপুৰ জিলা সাহিত্য সভাৰ দ্বিবাৰ্ষিক কাব্য-পত্ৰিকা **কাব্য-কানন** জিলাখনৰ ন-পুৰণি কবিসকলৰ কবিতাৰে সমৃদ্ধ হ'ব আৰু ভাবীকালৰ কবিসকলক কাব্য-চৰ্চাৰ বাবে অনুপ্ৰাণিত কৰিব— সেই আশাৰে শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ড° **বসন্তকুমাৰ গোস্বামী**)
*সভাপতি, অসম সাহিত্য সভা*

**ঘৰৰ ঠিকনা ঃ** পোহৰ, সুৰাগপুৰ, চোলাধৰা, তৰুণৰাম ফুকন পথ, যোৰহাট, অসম, ভ্ৰাম্যভাষ ঃ ৮৪৭৩৯০৭১৯৪, ৯৪৩৫২৬৪৫০৯
ই-মেইল ঃ drbkgoswami3@gmail.co

"চিৰ চেনেহী মোৰ ভাষা জননী"

**লক্ষীমপুৰ জিলা সাহিত্য সভা**

লক্ষীবিলাস শইকীয়া ভৱন, মৈদমীয়া, উত্তৰ লক্ষীমপুৰ।
লক্ষীমপুৰ, অসম। সূচাংক - **৭৮৭০৩২**
স্থাপিত ঃ **১৯৮২** চন।

**সঞ্জীৱ উপাধ্যায়**
সভাপতি
ফোন ঃ **৭০০২১৩০৬৬০**

প্ৰসঙ্গঃ লঃজিঃসাঃসঃ **৫৪/২৫** দিনাঙ্ক ঃ- **২৪/১২/২০২৫**

## শুভেচ্ছা বাৰ্তা

কবিতা হৈছে সাহিত্যৰ এক সুন্দৰ আৰু সুগভীৰ শাখা। কবিতাই মানুহৰ অনুভৱ, চিন্তা, কল্পনা আৰু জীৱনৰ অভিজ্ঞতাক অৰ্থযুক্ত শব্দৰ সুৰ, ছন্দ আৰু অলংকাৰৰ জৰিয়তে প্ৰকাশ কৰে। কবিতাই কেৱল কথা কোৱাই নহয়, গভীৰ অনুভৱ কৰাব পাৰে পাঠকৰ হৃদয়ত।

লক্ষীমপুৰ জিলা সাহিত্য সভাই প্ৰকাশ কৰি অহা কাব্যচৰ্চাৰ কাব্যালোচনী 'কাব্য কানন' ২০২৫-২৭ বৰ্ষৰ জিলা সমিতিয়ে এবছৰীয়া কাৰ্যকালত দ্বিতীয় প্ৰকাশৰ পদক্ষেপ গ্ৰহণ কৰাটো উল্লেখ যোগ্য পদক্ষেপ বুলিব পাৰি। 'কাব্যকানন' উপ সমিতিয়ে এই বিষয়ত যথেষ্ট গুৰুত্ব প্ৰদান কৰি কবিসকলক একেখন মঞ্চত থিয় কৰাবলৈ প্ৰচেষ্টা অব্যাহত ৰাখি 'কাব্যকানন' প্ৰকাশ কৰিব বুলি জানিবলৈ পাই সুখী হৈছোঁ। লক্ষীমপুৰ জিলা সাহিত্য সভাই পোন প্ৰথমবাৰৰ বাবে এবছৰীয়া কাৰ্যকালৰ ভিতৰত ই-আলোচনীৰ দুটা সংখ্যা, মুখপত্ৰ 'সোৱণশিৰি'ৰ দুটা সংখ্যা সকলোৰে সহায়-সহযোগিতাত প্ৰকাশ কৰিবলৈ সক্ষম হোৱাটো সাহিত্য ক্ষেত্ৰৰ বাবে ঐতিহাসিক হৈ ৰ'ব। 'কাব্যকানন'ত নবীন-প্ৰবীন কবি সকলৰ উন্নত পৰ্যায়ৰ কবিতা প্ৰকাশ পাই সাহিত্য ক্ষেত্ৰখন জীপাল কৰাৰ আশাৰে শুভকামনা জনালোঁ।

**(সঞ্জীৱ উপাধ্যায়)**
সভাপতি
লক্ষীমপুৰ জিলা সাহিত্য সভা।



# সম্পাদনাৰ অন্তৰালত...

*"চিৰ চেনেহী মোৰ ভাষা জননী"*

সৃষ্টিকৰ্তাই এই পৃথিৱীখন অতি চমৎকাৰী ৰূপত সৃষ্টি কৰিছে। মোহময়ী পৃথিৱীত জীৱ শ্ৰেষ্ঠ মানৱে প্ৰকৃতিৰ চিৰাচৰিত নিয়ম অনুসৰি জন্ম লয় আৰু নিৰ্দিষ্ট কৰ্মৰ অন্তত ইহলীলা ত্যাগ কৰে অৰ্থাৎ, মৃত্যুবৰণ কৰে। অহা-যোৱা এই প্ৰক্ৰিয়া চিৰন্তন সত্য। পাশ্চাত্যৰ সু-সাহিত্যিক মাৰিয়া ৰিল্কেই এই কাৰণতে মৃত্যুক আমাৰ (জীৱৰ) বান্ধৈ বুলিছে। ধৰাৰ কোলালৈ কোন জীৱ কিমান দিনৰ কাৰণে আহে, সেয়া আজিলৈকে কোনেও ক'ব পৰা নাই যদিও প্ৰকৃতিৰ বুকুলৈ জীৱৰ অহা-যোৱা নিৰন্তৰ চলি থাকিব। অহা আৰু যোৱাৰ মাজৰ সমগ্ৰ সময়ত মানুহে জীৱনটো সুচাৰুৰূপে উদ্‌যাপন কৰে। উদ্‌যাপিত সময়ছোৱাৰ কৃতকৰ্মই মৃত্যুৰ পিছতো মানুহক অমৰত্ব প্ৰদান কৰে।

সৌ সিদিনা অনাকাংক্ষিত মৃত্যুক অত্যন্ত বেদনাকাতৰভাৱে আঁকোৱালি লোৱা অসমী আইৰ বুকুৰ উদ্যমী, সাহসী আৰু স্পষ্টবাদী এক কথাত 'হাৰ্টথ্ৰব্' জুবিন গাৰ্গৰ হৃদয়বিদাৰক, নিষ্ঠুৰ, নিৰ্ম্মম, অসহনীয় মৃত্যু যন্ত্ৰণাই সমগ্ৰ বিশ্বক ম্ৰিয়মান কৰি তুলিছে। আধুনিক পৃথিৱীত অত্যাধুনিক পোহৰৰ ৰেখা সঙ্গীতৰ জৰিয়তে বিস্তাৰ কৰিবলৈ সক্ষম হোৱা জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যুৱে জোকাৰি গৈছে সমগ্ৰ বিশ্বক। একেধাৰে

সঙ্গীতজ্ঞ, সাহিত্যিক, খেলুৱৈ, সমাজসেৱক, দৰিদ্ৰ-জনতাৰ অন্নদাতাৰ দৰে গুণী-জ্ঞানী ব্যক্তি - জুবিন গাৰ্গ অসমীয়া সমাজৰ প্ৰাণ সঞ্জীৱনী সুধা। তেওঁৰ সমগ্ৰ সৃষ্টিৰাজিৰে বিশ্ব দৰবাৰত অভিলেখ স্থাপন কৰা অসম আজি চিনাকী সু-প্ৰতিষ্ঠিত ৰাজ্য। বৰ্তমান, জুবিন গাৰ্গৰ নামেৰেহে অসমীয়া জাতিৰ অনন্য পৰিচয়।

জুবিন গাৰ্গ আছিল সাহিত্য প্ৰেমী। সহস্ৰ গ্ৰন্থৰ পাঠক আৰু অপ্ৰমাদী কবিতা সৃষ্টি কৰা জুবিনৰ দেশৰ আমি অতন্দ্ৰ প্ৰহৰী। আমাৰ এই 'কাব্য-কানন' তেওঁৰ নামতেই উৎসৰ্গা কৰা হ'ল।

কবিতা ভাল পাওঁ। শব্দৰ সুগন্ধত মতলীয়া আমি। সেয়েহে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ দ্বাৰা প্ৰকাশ হোৱা কাব্য পত্ৰিকা 'কাব্য-কানন'ৰ সম্পাদনাৰ দায়িত্ব আমাক দিয়াত যথাসাধ্যে এই কাম আগবঢ়ালোঁ।

অজানিতে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা আৰু পাঠক সমাজৰ পৰা দিহা-পৰামৰ্শ আশা ৰাখিলোঁ।

ধন্যবাদ সহকাৰে,
অপৰাজিতা হাজৰিকা
সম্পাদক

# প্ৰকাশকৰ একলম

লক্ষীমপুৰ জিলা সাহিত্য সভাৰ উদ্যোগত অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গ দেৱৰ সোঁৱৰণত প্ৰকাশ কৰিবলৈ লোৱা  'কাব্য কানন'ৰ এইবাৰৰ সংখ্যাটি জুবিন গাৰ্গ বিশেষ সংখ্যা হিচাপে প্ৰকাশিত হ'ব। আমাৰ সকলোৰে জ্ঞাত যে জুবিন গাৰ্গ আছিল অসমীয়া প্ৰাণৰ স্পন্দন স্বৰূপ। ২০২৫ বৰ্ষৰ ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত নৰ্থ ইষ্ট ফেষ্টিভেলত অংশ গ্ৰহণ কৰিবলৈ যোৱা নৱ প্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গক হেৰুৱাই অসমীয়া জাতি আজিও ম্ৰিয়মান। তেখেতৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰি কাব্য কাননৰ এই সংখ্যাটি সজাই তোলা হৈছে। হৃদয়ৰ অনুভূতি প্ৰকাশ কৰাত কবিতাই সদায় মুখ্য ভূমিকা পালন কৰি আহিছে।

এই বিশেষ সংখ্যাৰ জৰিয়তে কবি সকলৰ কলমেৰে জুবিন গাৰ্গৰ অসমীয়া জাতিলৈ আগবঢ়োৱা অৱদানৰ সোঁৱৰণ কৰা হ'ব। লক্ষীমপুৰ জিলাৰ শাখা সাহিত্য সভা সমূহৰ পৰা বিভিন্ন জনে আগবঢ়োৱা কবিতা সমূহে এই বিশেষ সংখ্যা সমৃদ্ধ আৰু আকৰ্ষণীয় কৰি তুলিছে।

কাব্য কাননৰ আহ্বায়ক, কবি সকলকে আদি কৰি পুথি খনৰ লগত জড়িত সকলোলৈকে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। কাব্য কাননৰ এইবাৰৰ সংখ্যাটিৰ বাবে আৰ্থিক অনুদান আগবঢ়োৱাৰ বাবে শ্ৰদ্ধাৰ গোলাপী ভূঞা বৰা বাইদেউ লৈকো আমাৰ তৰফৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। নিত্য নতুন ভাৱধাৰাৰে 'কাব্য কানন'ৰ প্ৰতিটো সংখ্যা উজ্জ্বলি উঠক । এইয়ে আমাৰ কাম্য।

**প্ৰবীণ হাজৰিকা**
সম্পাদক
লক্ষীমপুৰ জিলা সাহিত্য সভা

# “কাব্য কানন”ৰ কবিতাসূচী

**অতিথি শিতান ঃ**


● দুখটো চিৰস্থায়ী হৈ ৰ'ল ✍ সুজিত শাণ্ডিল্য/১৫
● অসমীয়া প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ মোৰ শ্ৰদ্ধাঞ্জলি ✍ ৰুমজুম দত্ত শইকীয়া/১৭
● সুন্দৰ সখা তেওঁ ✍ ভাৰতী চক্ৰৱৰ্তী /১৯
● হেৰোৱা সুৰৰ বেদনা ✍ অংকিতা দাস /২১


**সংগৃহীত কবিতা শিতান ঃ**


● প্ৰাণৰ শিল্পীৰ পবিত্ৰ স্মৃতিত ✍ সঞ্জীৱ উপাধ্যায় /২২
● হঠাতে হেৰাল চোতালৰ জোনাক ✍ অনুজ কুমাৰ ভুএগ্রা /২৩
● গণশিল্পীলৈ প্ৰণাম ✍ প্ৰবীণ হাজৰিকা /২৫
● ঈশ্বৰ পুত্ৰ জুবিন ✍ ৰেণু ভূএগ্রা ফুকন /২৭
● হে অমৃত কণ্ঠ তোমাক শতকোটি প্ৰণাম ✍ বন্দনা শৰ্মা / ২৯
● গভীৰ সাগৰৰ বেদনা ✍ সুচিত্ৰা শইকীয়া /৩১
● হাৰ্টথ্ৰব জুবিন ✍ প্ৰফুল্ল কোঁৱৰ /৩৩
● ফিনিক্স জুবিন ✍ ৰাতুল কুমাৰ লাহন /৩৫
● সুৰ ✍ ধৰ্মেন্দ্ৰ উপাধ্যায় /৩৮
● কাঞ্চনজংঘা ✍ ৰুলী শৰ্মা পূজাৰী/৩৯
● গানত তুমি ✍ বিকাশ জ্যোতি ভূএগ্রা /৪১
● নীলাভ আকাশৰ জ্যোতিষ্ক তুমি ✍ জিনুমণি সাধনী বৰা /৪২
● জীৱন জিজ্ঞাসা ✍ অপৰাজিতা হাজৰিকা /৪৩
● না শেষ জুবিন ✍ বিতোপন গগৈ /৪৪
● প্ৰাণৰ শিল্পী ✍ গোলাপী ভূএগ্রা বৰা /৪৫
● জুবিন এক সুৰৰ বগা বাট ✍ দ্বিজেন শৰ্মা/৪৬
● জুবিন শ্ৰদ্ধাৰ্ঘ ✍ দেৱজিৎ দুৱৰা /৪৮
● মই জুবিন বিন্দাছ আছো ✍ মন প্ৰভা হাজৰিকা /৫০
● মায়াবিনী ৰাতি ✍ চেনেহী বৰা /৫৪
● হেন্দোলনিত সৰি পৰিল সুৰ ✍ জিতেন বৰুৱা /৫৬
● আঁৰ কাপোৰৰ আঁৰৰ মানুহজন ✍ মল্লিকা বৰা/৫৮
● অনন্য সত্তা তোমাৰ ✍ বিদ্যুৎ প্ৰভা ফুকন /৫৯
● বৈভৱ বন্দনা ✍ নৱজ্যোতি ভূএগ্রা হাজৰিকা/৬১
● নতুন গান এটা গাম ✍ অৰনী কুমাৰ ভাগৱতী/৬৫
● জুবিন-জীৱন-যন্ত্ৰণা-যন্ত্ৰ ✍ সত্যমোহন দত্ত/ ৬৭
● শূন্যতা ✍ ৰেখামণি মহন্ত /৬৯
● কোনদিনা আহিব ✍ কলেশ্বৰ নৰহ /৭০
● বন্ধুত্ব ✍ উত্তম বৰা / ৭১
● গছ ভালপোৱা শিল্পীজন ✍ ৰূপাঞ্জলী ভূএগ্রা হাজৰিকা / ৭২
● জ্বলি উঠা জুই হৈ ✍ অভ্ৰজিতা হাজৰিকা/৭৪
● তুমি নোহোৱাৰ অনুভৱ ✍ অনন্যা সন্দিকৈ/ ৭৬
● মহান শিল্পী জুবিন গাৰ্গ ✍ দিপালী চেতিয়া মজুমদাৰ/৭৮
● সংঘাত ✍ কৃষ্ণ বাহাদুৰ ৰাউত/৮০

● যন্ত্ৰ ✍ বিপুল শইকীয়া /৮১
● ঈশ্বৰ পুত্ৰলৈ ✍ কৃষ্ণা বৰা/৮৫
● অবাধ গতিৰ একা সুদৃঢ় প্ৰতিবাদী সত্তা ✍ বিপাশা বৰুৱা/৮৬
● শিল্পী তোমাক সহস্ৰ প্ৰণাম ✍ দিপ্তী শইকীয়া ভূঞা/৮৭
● যুগস্ৰষ্টা ✍ লাৱণ্য তামুলী /৮৯
● প্ৰাণৰ শিল্পী জুবিন দা ✍ মৃদুলা দেৱী/৯০
● তুমি আহিছিলা শীতৰ আবেলি ✍ লাৱণ্য ৰাণু ফুকন/৯২
● সময় ✍ ডিম্বেশ্বৰ ফুকন/ ৯৩
● এটা পাহাৰৰ মৃত্যু হ'ল ✍ কুঞ্জ বুজৰবৰুৱা/৯৪
● যুগমীয়া জুবিন দা ✍ প্ৰবীণ মেধি /৯৫
● বেলি মাৰ গ'ল ✍ মৃণালী শইকীয়া বৰুৱা /৯৮
● জীৱনৰ সুৰ-জুবিন ✍ কুঞ্জলতা বৰা নেওগ /৯৯
● জুবিন ঃ এটি অনুভৱী সত্তা ✍ অনিতা শৰ্মা /১০১
● তুমি অনন্য ✍ মণি কোঁৱৰ /১০৩
● প্ৰকৃতি প্ৰেমী জুবিন ✍ তোযেশ্বৰ দুৱৰা /১০৪
● সুৰকণ্ঠ জুবিন গাৰ্গ ✍ বিউতী শইকীয়া/১০৬
● তৃতীয় মহাপুৰুষ ✍ মামনি গগৈ শইকীয়া /১০৭
● শলিতা ✍ প্ৰতিমা বুঢ়াগোহাঁই /১০৮
● জুবিন তুমি পুনৰ ওভতি আঁহা ✍ অনিমা বৰুৱা /১০৯
● হে নমস্য তোমাক চিৰবিদায় ✍ প্ৰিয়ংকা ফুকন/১১১
● দুৰ্ল্লভ ✍ ৰীতা হাজৰিকা/ ১১২
● জোনাকৰ মায়া আছে ✍ মৃদুস্মিতা হাজৰিকা/১১৪
● জুবিন তোমাৰ নামেৰে এটি কবিতা ✍ ললিত শইকীয়া /১১৬
● যুগ স্ৰষ্টা জুবিন গাৰ্গ ✍ পদ্মেশ্বৰ পেগু/১১৭
● অসম চেতনা ✍ ৰেৱতী হাজৰিকা /১১৮
● জুবিন গাৰ্গ ✍ প্ৰিয়ংকা বৰা ফুকন/১১৯
● জুবিন দা অমৰ হওঁক ✍ মৃতিচা ফুকন/১২১
● এজন ৰজাৰ কাহিনী ✍ জুমি দেৱী/১২২
● হেৰোৱাৰ বেদনা ✍ স্মিতা হাজৰিকা/১২৪
● এজন ঈশ্বৰৰ মৃত্যুত ✍ ভূবন গৌতম /১২৬
● কথাবোৰ ✍ লোহিত বৰুৱা/১২৯
● নাহৰ ✍ মিনা নেওগ হাজৰিকা/১৩০
● শূন্যতাৰ কবিতা ✍ কুলধৰ কোঁৱৰ /১৩২
● ফুল হালধীয়া ✍ যতীন বড়া /১৩৪
● ন্যায় পাবই লাগিব ✍ সীতা দেৱী /১৩৫
● প্ৰাণৰ শিল্পীজনলৈ ✍ অতুল শইকীয়া / ১৩৭
● এতিয়া মই তৰা গণো নিৰৱে ✍ ৰিমঝিম শইকীয়া ডেকা /১৩৮
● সাগৰৰ প্ৰেমত নপৰো আৰু ✍ ৰিংকু বৰুৱা /১৪০
● কাইলৈ হেনো কাঁচি জোন ওলাব ✍ চন্দ্ৰ কুমাৰ দত্ত/১৪১
● জুবিন তোমালৈ শ্ৰদ্ধাঞ্জলি ✍ জিনু বৰা /১৪২
● শিতানত ৰাধাচূড়া নে ৰজনী গন্ধা ✍ ৰাণু দত্ত শইকীয়া/১৪৩
● জুবিন নাই বুলি কোনে কয় ✍ আইচেনা টাং শইকীয়া /১৪৪
● মই জুবিন দা, মই কাঞ্চনজংঘা ✍ বেণুধৰ পাঠৰী/১৪৬
● জুবিন গাৰ্গ এটি ঈশ্বৰ প্ৰদত্ত শক্তি প্ৰকৃতিৰ ✍ ৰেখা ভূঞা /১৪৮

# ।। চিৰ চেনেহী মোৰ ভাষা জননী ।।

চিৰ চেনেহী মোৰ ভাষা জননী।
ধন্যে পুণ্যে হৃত পাৱনী, আই।।
প্ৰকৃতি পৰশ ৰসে অমল কমল
চঞ্চল হৃদি জলে ঢালে পৰিমল
কোমল চপাৰ কলি
ঢৌৰে ঢৌৰে ঢৌৰে  তুলি
ৰিণিকি ৰিণিকি কোনে তোলে ৰাগিণী।।
সংসাৰ গুৰুভাৰে অৱশ পৰাণ
হিয়াত বিলীন হয় হিয়াভৰা গান
কাৰ নিচুকনি শুনা
শুনি বানী ব্যথা পমা
চকুতে চকুৰ নীৰে লয় জিৰণি।
জীৱনে মৰণে ৰণে লহৰী সুধাৰ
ৰসনা শিতানে বহি সিঁচা শতধাৰ
হে' মোৰ মধুৰননা
মাগিছোঁ মাধুৰী কণা
দিয়া দিয়া দিয়া আই মধুভাষিণী।।

ৰচনা - মিত্ৰদেৱ মহন্ত
স্বৰলিপি - ইন্দ্ৰেশ্বৰ শৰ্মা

# মেটামৰফ'ছিছ

জুবিন গাৰ্গ

মই যদি ঈশ্বৰ হ'লোহেঁতেন
আজিৰ মানুহ সৃষ্টি কৰা বন্ধ কৰি দিলোহেঁতেন।
নতুনকৈ সৃষ্টি কৰিলোহেঁতেন
আৰু এবিধ মানুহৰ দৰে জন্তু,
যি মাৰি কাটি
খাই বৈ শুই জীয়াই নাথাকি
আৰু বহুত কিবাকিবি
কৰিলেহেঁতেন...।
দিলোহেঁতেন এটা মস্তিষ্ক,
যাৰ কাম চিন্তা কৰা শুদ্ধভাৱে
যি মস্তিষ্কত দৌৰিব অনুভূতি, আৱেগ, উচ্চাকাংক্ষা
আৰু দূৰদৰ্শনৰ অনিৰ্বাণ
অশ্বমেধ ঘোঁৰা।
যি মস্তিষ্কত আস্ফালিত হ'ব পৰিৱৰ্তন, আৱৰ্তন
আৰু নিয়ন্ত্ৰণৰ ন ন সূত্ৰ।
দিলোহেঁতেন আৰু এযুৰি High-Power চকু
যাৰ মাজেদি সকলো
সঁচা বস্তু দৃশ্যমান
দিলোহেঁতেন দুখন Extra কাণ...
শুনিবলৈ সকলো অস্ফুট শব্দ, উশাহ নিশাহ
হুমুনিয়াহ, হতাশা আৰু সময়ৰ পদধ্বনি...
দিলোহেঁতেন এটা সুন্দৰ নিপোটল নাক
যাৰ কাম কেৱল উশাহ লোৱা নহয়,
যি শুঙিব পাৰে সকলো দুৰ্গন্ধ
মানুহৰ গাৰ, মনৰ, দেশৰ, পৰিৱেশৰ ●

# দুখটো চিৰস্থায়ী হৈ ৰ'ল

**সুজিত শাণ্ডিল্য**

"La tristesse durera toujours"
(লা ট্ৰিচটশ্চে ডুৰুৰা ট'জউজ)
বাতৰিটো পাই
নীলা আকাশখনত
তৰাবোৰত ঘাঁ লাগি গ'ল
বোৰতী নিজৰাৰ হাঁহি
নিঃশব্দ চকুপানীত জাহ গ'ল
ল'ৰাটো যোৱাৰ পৰাই
আমাৰ কলিজাত
দুখটো চিৰস্থায়ী হৈ ৰ'ল।
যাওঁ বুলিতো গ'লেই
অনন্ত বা এবেলা
স্থাৱৰ-অস্থাৱৰ হিচাব আঙুলিৰে গণা
সকলোৰে একে স্থায়ী ঠিকনা
(আচলতে প্ৰেমহে স্থাৱৰ)
জানো,

তথাপি বিহুৰ দিনত
উচৰৰ কোণত
ৰাস পূৰ্ণিমাৰ জোনত
আঘোনৰ পকা ধানত
আইৰ নিচুকনি গানত
সকলোতে লাগি থাকে
এজোলোকা দুখ
মায়াবিনী সুৰৰ সতে খেলি
সকলোৰে হৃদয়ত
সুৰৰ পঁজা সাজি
ল'ৰাটো -
অন্তৰ পৰা অনন্তলৈ গ'ল যি গ'লেই
দুখটো আমাৰ বুকুত স্থায়ী হৈ ৰ'ল। ●

অতিথি শিতান...

# এটি গীতৰ সমাপ্তিত.....

ৰুমজুম দত্ত শইকীয়া

সুৰৰ লহৰ বোৰে
উমলি জামলি
আন্দোলিত কৰি ৰখা
সেই সেউজীয়া পথাৰ খন ,
হঠাতে যেন
এসোঁতা নীলা বেদনাই চুই থৈ গ'লঙ্গঙ্গ
মিঠা পুৰতিৰ গীত গোৱা সুৰীয়া পখীৰো
আজি যেন হঠাতে
কণ্ঠৰূদ্ধ হ'ল ।
এটি সাঁজৰ তৰা,
ক্ষণে ক্ষণে চিকমিক কৰা
হঠাতে ক'ৰবাত নোহোৱা হ'লঙ্গঙ্গ
নিতে দেখোঁ মই
আকাশখন নীলা;
সাগৰখনো সেই একেই নীলাঙ্গঙ্গ
কিন্তু নীল সাগৰে ঢালি দিয়া বেদনাৰ ৰং
দেখো
তাতোকৈ বেছি নীলাঙ্গ
সাগৰ তীৰত
এটি চিকমিক তৰা হৈ জিলিকিব খোজা,
অথবা সাগৰ তলিত

ক্ষণিকৰ বাবে শুব  খোজা
সুৰৰ নিজৰা এটি
বিশাল সাগৰৰ বুকুতে যেন
বিলীন হৈ গ'লঙ্গঙ্গ
কিন্তু.....
ব্ৰহ্মাণ্ডৰ বুকুত সাঁচি থোৱা
সুৰবোৰ জানো
হেৰাই  যাব পাৰে কেতিয়াবা ??
মানুহৰ হৃদয়লৈ
সুৰেৰে তৈয়াৰ কৰা বাট
মানুহৰ প্ৰেমেৰেই
তলমল আজি।
চাব নোখোজে কেৰে
প্ৰাণৰ শিল্পীৰ
সুৰ বিচ্ছিন্ন নিথৰ দেহ।
সেয়েহে বুকুৰে বুকুৰে
বিষাদ বেদনাৰ জীয়া ঢলৰ
প্লাৱন নামিছে আজিঙ্গঙ্গ
মানুহৰ শুকান মনত
চেঁচা নিয়ৰৰ টোপাল হৈ বিচৰণ কৰা
হে অভিনৱ মহান শিল্পী ঙ্গঙ্গ
মায়াবিনী নিশাৰ বুকুত তোমাৰ সুৰৰ  সৃষ্ট
মায়াজালত
সদায় বিচাৰিব প্ৰতিজনে
তোমাৰ মায়াবী ছবিঙ্গঙ্গ
কথা দিলোঁ তোমাক .....
কথা দিলোঁ তোমাক হৃদয়েৰে আজিঙ্গঙ্গ ●

# সুন্দৰ সখা তেওঁ

*(শ্ৰদ্ধাৰ্ঘ জুবিন গাৰ্গলৈ)*

**ভাৰতী চক্ৰৱৰ্তী**

তেওঁৰ গান
তেওঁৰ মাত
দোকমোকালিৰ এটা পবিত্ৰ ঘন্টাধ্বনিৰ
দৰেই
জুৰাই আছে
কলিজাৰ ঘাট
হালি-জালি আছে
নিটোল আঙুলিৰে
বৈ অহা
বৰ্ণৰ সৌৰভ
সুন্দৰ সখা তেওঁ
আকাশে-বতাহে
ভাঁহি আছে
সৌভিক সুৰ শুভংকৰ
আশ্বাসে পৰ দিয়া সময়
বতাহ ফালি মানুহবোৰ
বাউল হৈছে
ওঁঠত আওৰাই

এটা প্ৰাচীন প্ৰাৰ্থনা য'ত
মৃত্যুৰ পাছতো
জীয়ন দি ৰাখিব পাৰে
গানে আজুৰি অনা
মাটিৰ মানুহৰ সাধুকথা
কিমান ভালপোৱা থাকিলে
হেৰাই যোৱাজন
হ'ব পাৰে
জীৱনী শক্তিৰ এক তৰংগ
এক সাধনা
অথবা হ'ব পাৰে
তেজ উতলা
এজাক ধাৰাল ৰণুৱা
শূন্যতাত
সেই আনন্দময় আত্মা
মহাকালে যাক
অবিনাশী কৰিলে
আমি
প্ৰাৰ্থনাত পাক খাই থকা
জঁট খুলি-খুলি
মায়াত কাতৰ কম্পনত
সময়ক গঢ়িছোঁ
আকাশলৈ মেলি দিছোঁ
যুৰীয়া হাত
বিচাৰিছোঁ
সঁচা-মিছাৰ
সন্ধি ভঙা বাট ●

অতিথি শিতান...

# হেৰোৱা সুৰৰ বেদনা

**অংকিতা দাস**

তেওঁৰ মৃত্যুত তেওঁৰ গানেই প্ৰাৰ্থনা হৈ বাজিছে,
প্ৰতিটো উশাহে আজিও তেওঁকেই বিচাৰিছে।
শিশুৰ পৰা বৃদ্ধজনলৈকে সকলোৰে চকু সেমেকা,
নাকান্দি কেনেকৈ থাকিব?
কোনেনো ধৰিব বুকুৰ বেদনাঙ্গ
এটি সময়ৰ স্মৃতিসোঁৱৰণী গীত গোৱা মানুহজন নাই,
এটি সময়ৰ যৌৱনৰ বতৰা শুনোৱা গায়কজন নাই।
গীতেৰে জীৱন বুজাৰ যাত্ৰা যেন হঠাৎ থমকি ৰ'ল,
বুকুৰ মাজৰ মৰমৰ সুৰটি আজি ক'ৰবাত হেৰাই গ'ল।
জুবিনৰ ফাংচন চাবলৈ বুলি ধাপলি
মেলা আইতাৰ চকুত আজি পানী;
আড্ডাত জুবিনৰ গান গাই সময় সজীৱ কৰা
ল'ৰা-ছোৱালী জাকৰ কণ্ঠ আজি থৰথৰাই ,
তেওঁৰ গীতৰ মাজত নিজৰ
হেৰোৱা যৌৱন পোৱাজনো আজি
দুচকুৰে নিৰৱে চকুলো টোকে
বুকুত একুৰা জুই, ওঁঠত এটি গান,
তেওঁৰ সুৰ চিৰদিন জীৱন্ত, চিৰদিন অসমৰ প্ৰাণ।
তেওঁ যোৱা নাই, তেওঁ আজিও আছে,
প্ৰতিজন অসমীয়া বুকুৰহ্লুগভীৰতাত
তেওঁ নিজৰ গানেৰে জিলিকিছে। ●

# প্ৰাণৰ শিল্পীৰ পবিত্ৰ স্মৃতিত

**সঞ্জীৱ উপাধ্যায়**

সুৰে সুৰে গাঁথি গ'লা জীৱনৰ বৰ্ণ
প্ৰতিটো শব্দই আছিল অনুভৱৰ স্বৰ্ণ
গীতৰ পাখি আজি নীৰৱ আকাশত ওলায়
তোমাৰ সুৰে এতিয়াও হৃদয়ৰ কোণত
হেৰুৱা বাঁহী বজায়
কবিতাৰ পাতত তুমিয়েই আছিলা আলোক
প্ৰেমৰ ভাষাত লিখিলা অনেক সপোন
আজিও আকাশে-বতাহে
তোমাৰ নাম মন-মগজুত স্পন্দিত
আজি সুৰৰ মানুহ নাই
সুৰ কিন্তু বৈ বৈ বিনায়।
চিৰ স্মৃতি তোমাৰ গানত জীয়াই থাকে
প্ৰাণৰ নিভৃতকোণত জোনাকবোৰ জাগে।
গায়ক, কবি তোমাক কৰো নমস্কাৰ
প্ৰাণৰ শিল্পীৰ কথা মনলৈ আহে বাৰম্বাৰ। ●

# হঠাতে হেৰাল চোতালৰ জোনাক

অনুজ কুমাৰ ভূঞা

মানুহজন সঙ্গীতপ্ৰেমী।
সঙ্গীত যেন তেওঁ সিৰাই সিৰাই প্ৰবাহিত।
গীতাৰখনত হাত বোলালেই হয় সুৰৰ ঝংকাৰ।
প্ৰতিটো দিশতে যেন নিপুণ, দুহাতত যাদুকৰী সঞ্চালন।
এদিন কণ্ঠ নিগৰিল...অনামিকা....মায়া..
এটি দুটি নহয় অলেখ গীত.....প্ৰাণভৰা..... হৃদয়ত...
শিশু হৈ মাতৃৰ কোলাত বহি শুনিব বিচাৰে, “গান এটি গোৱানা অ’ মা’
শব্দ-পাখি-মুক্তি যন্ত্ৰেৰে সকলোকে মোহিত কৰিলে।
নিৰ্ভীক স্পষ্টবাদী মানুহজন, ভয় চিনি নাপায়।
মনৰ পৰিসৰে দুৱাৰ মেলিলে
গীতৰ কথা-সুৰ-কণ্ঠ নিগৰাই জিনিলে শ্ৰোতাৰ হৃদয়।
ইমান কোমল সুৰ-জোনাক গ’লা জাৰৰ নিশা, মূৰ থৈ শেতা
শেতেলীত...মই ভাগৰা নাই
কি দিয়া নাই, সকলোতে তেওঁ প্ৰতিভা বিকশিত।
সমগ্ৰ মানুহৰ হৃদয় মানুহজনৰ যাদুকৰী কণ্ঠত আপ্লুত।
অসমৰ কথাছবিৰ বটবৃক্ষতলত বহি জীপাল কৰিলে, ধূলিকণা অঘৰী কবিতা
মনটো বৰ বহল, মানুহৰ দুখত ভাগি পৰে মানুহজন
মনটো চিলা হৈ আকাশত উৰিব বিচাৰে
যিমান আকাশলৈ উৰিলেও ঘৰখনলৈকে ঘূৰি আহে।
বৰ ভাল পাই ঘৰখন, মানুহবোৰ, মানুহৰ সংগ।
কণ্ঠত তাৰেই প্ৰকাশ, মোৰ কোনো জাতি নাই, ধৰ্ম নাই, মই মুক্ত।
বহুত কল্পনা অলেখ সপোন-আকাশে গাতে লবৰে মন,
সাগৰ তলীত শুবৰে মন

এদিন সঁচাকৈয়ে সাগৰত শুই পৰিল।
অচিন সাগৰেও তেওঁক সাৰটি নল'লে
কিন্তু চিনাকী মানুহবোৰে নুবুজিলে তেওঁক।
অসহায় মানুহজনৰ বাবে নিজৰ মানুহবোৰ অমানুহ হ'ল।
এই স্বাৰ্থলোভী মানুহবোৰ সঁচাকৈয়ে বৰ নিৰ্দয়।
জঠৰ হৈ পৰিল, স্পন্দন হেৰাল, নিৰব হ'ল কণ্ঠ।
বহল অন্তৰৰ মানুহজনক প্ৰচণ্ড আঘাত দিলে।
এতিয়া সকলোকে প্ৰতিবাদী কণ্ঠ, ন্যায় লাগে
দুচকুত তপ্ত অশ্ৰুধাৰা।
মনৰ মানুহবোৰৰ প্ৰকৃত পৰিচয় লাগে।
কেনেকৈ হ'ল ইমান নিষ্ঠুৰ-নিৰ্মম।
আমি এতিয়া জীয়াই আছো শোকৰ সাগৰত
পাৰ নেদেখা শোকৰ সাগৰ
প্ৰকৃতিৰ বুকুৰ সকলো প্ৰাণী আজি শোকত ম্ৰিয়মান।
সকলোৰে চকুত চকুলো।
নাহৰ পাতবোৰ যেন শেতেলী হ'ল।
ছবি চাই চাই সকলোতে কেৱল আবেগ, মাথোন আবেগ।
যন্ত্ৰ মানুহজন নিস্তব্ধ হ'ল।
সেই আশা কল্পনা কণ্ঠ শান্তি দিয়া মুক্তি দিয়া সোণৰ অসম ৰচিবলে
আমি কাক লৈ জীয়াই থাকিম।
কোনে শুনাব দৰদী কণ্ঠেৰে
মায়াবিনী ৰাতিৰ বুকুত দেখা পালো তোমাৰ ছবি
গোপনে আহি...... ●

# গণশিল্পীলৈ প্ৰণাম

প্ৰবীণ হাজৰিকা

ধুমুহাৰ সতে নাচি ভালপোৱা তুমিতো
অক্লান্ত শিল্পী আছিলা।
একতাৰ মন্ত্ৰ তুমি প্ৰাণত
কঢ়িয়াই ফুৰিছিলা,
তোমাৰ শব্দত জনতাই
বিচাৰি পাইছিল
হৃদয়ৰ ভাষা।
তোমাৰ কোনো জাতি নাছিল,
সকলোকে আৱৰিছিলা তোমাৰ
বিশাল বক্ষত।

তোমাৰ স্পৰ্শত
শব্দই প্ৰাণ পাইছিল, তোমাৰ প্ৰতিটো
উশাহত
কিযে মায়াসনা আছিল ,
সুৰেৰে তুমি সজালা
জননীৰ প্ৰতিটো পুৱা ।
তুমি বিহীন দিনবোৰ জনতাৰ বাবে

মাথোঁ এটি দুখৰ বোজা
দিন নাযায় নুপুৰাই
জীৱনৰ প্ৰতিটো পুৰাই
দি যায় তুমি নোহোৱাৰ বাতৰি, তোমাৰ
গীতৰ সুৰ বুকুত সাৰটি
উজাগৰি নিশাবোৰে
উচুপি উঠে।
সুখে-দুখে আজিও তোমাৰ গীতে হৃদয়ৰ
প্ৰতিটো কোণত
এটি মিঠা অনুভৱ সিঁচি যায়।
তুমি হৃদয়ত সদায়ে
এটি মিঠা সুৰ হৈ ৰ'বা। ●

# ঈশ্বৰ পুত্ৰ জুবিন

ৰেণু ভূএগ্রা ফুকন

ঈশ্বৰ পুত্ৰ জুবিন
চক্ৰবেহু ৰচি
তোমাৰ প্ৰাণ ল'লৈ
পাষণ্ডহঁতে।
অসমবাসীয়ে ধৈৰ্য্য ধৰি
বাট চাই আছে
তোমাৰ ন্যায় পাবলৈ।
ন্যায় নেপালে
অসমত উদ্‌গীৰণ হ'ব
ৰজা প্ৰজা কোনো বাচি নেযায়
জাতি ধৰ্ম নিৰ্বিশেষে
কণিষ্ঠৰ পৰা জ্যেষ্ঠলৈ
তুমি হৃদয় জিনিলা।
সেয়ে তোমনাৰ অবিহনে
প্ৰত্যেক ঘৰেই আজি

নীৰৱে তোমাকে
ৰোমন্থন কৰি আছে।
গছ-লতা বিৰিষ
চ'ৰাই-চিৰিকতিয়েও
চকুলো টুকি
তোমাৰ মৃত্যুৰ ন্যায় বিচাৰিছে।
আকাশে বতাহে কেৱল
হৃদয় কঁপোৱা তোমাৰ গানবোৰেই
বাজি আছে।
তুমি কায়িকভাৱে নেথাকিলেও
আমাৰ হৃদয়ত গানত
সদায়ে থাকিব ঈশ্বৰ পুত্ৰ জুবিন। ●

# হে অমৃত কণ্ঠ তোমাক শতকোটি প্ৰণাম।

বন্দনা শৰ্মা

প্ৰাণৰ শিল্পী তুমি বোৱাইছিলা
অমৃত কণ্ঠ
আজি কণ্ঠৰুদ্ধ হৈ উভতিলা
নিজ মাতৃভূমি অসমলৈ।
অবিশ্বাস্য হ'লেও যে বাস্তৱ সত্য,
মানি ল'বলৈ টান হৈছে
যেনি তেনি যেন তোমাৰ
অমৃত কণ্ঠ ভাঁহি আহিছে,
চকুলো বাগৰিছে বুকুখন বিষাইছে
সহিব নোৱাৰা এটা দিন।
অবাঞ্চিত তোমাৰ মৃত্যুৰ বাতৰি শুনি
গোটেই অসমজুৰি আজি কান্দিছে বাগৰি
সঁচা কৈ তুমি গ'লা বহু দূৰ আঁতৰি।

তুমি অসমীয়াৰ প্ৰাণৰ স্পন্দন
জনতাৰ হৃদয়ৰ অমৃত কণ্ঠ জুবিন,
তুমি প্ৰতিজন অসমীয়াৰ
হিয়াৰ আমঠু,
তোমাৰ অবিহনে যেন সকলো অসাৰ
তুমি প্ৰাণৰো প্ৰাণ,
বুজাব নোৱাৰা এক অস্বাভাৱিক ৰূপ
সকলোৰে হৃদয়ত ঠাই পোৱা
তোমাৰ অমৃত কণ্ঠই দিছে তোমাৰ পৰিচয়।
একমাত্ৰ সন্তান তুমি
অসমীয়াৰ প্ৰাণৰ, হৃদয়ৰ
অমৃত কণ্ঠই বোৱালা সকলোৰে
অশ্ৰুধাৰ। ●

# গভীৰ সাগৰৰ বেদনা

সুচিত্ৰা শইকীয়া

লৰালিৰ চঞ্চলতা,
যৌৱনৰ অনুভৱৰ মাদকতা
বতাহে বতাহে ভাঁহি পৃথিৱীৰ মানুহৰ
অন্তৰক উন্মুক্ত কৰি ৰখা
তোমাৰ গানৰ সুৰত
মোহচ্ছন্ন আছিলো আমি ।

প্ৰশ্নবোৰ নুবুজাকৈ থাকি গ'ল

ভিতৰখন শূণ্য হৈ পৰিছে ।
বিশাল বিশ্বত মিলি গৈছিল তোমাৰ সুৰ
আমি আজি দুখৰ সাগৰত
মৌন আচ্ছন্ন......

জ্যোতিস্মান আলোক, অসমৰ সঞ্জীৱনী ।
ঐতিহ্যৰ মহানতাৰে অক্লান্ত পৰিশ্ৰমী
বিশ্ব প্ৰকৃতিৰ সত্বা.....
কি যে নাছিলা তুমি?

আজি তোমাৰ গানৰ সুৰ আছে,
কবিতাৰ ছন্দ আছে, আছে বোলছবি,
পৃথিৱী আছে, বতাহ আছে,

আছে ধুমুহা
গভীৰ সাগৰৰ নীলা পানী আছে
সকলো আছে
কিন্তু তুমি নাই ?
আমিবোৰ এখন এখন ভঙা হৃদয়েৰে
জুবিন বিহীন পৃথিৱীৰ
হৈ পৰিলো মৌন, নিৰৱ সাক্ষী।
বিশ্বাসেই কৰিলে বিশ্বাসঘাটকতা
সৰলতাৰ সুৰুঙাৰে তোমাক হত্যা কৰা হ'লঙ্গ
জুবিন, তোমাক হত্যা কৰা হ'ল।

ৰহস্যময় ফেউৰাৰ কুটিল অভিসন্ধি ।
তোমাৰ মানৱীয় দৃষ্টিৰে বুজি নাপালে
সিহঁতক ।
কলিজা ভাগি যায়
যেতিয়া ভাবোঁ ,
সাগৰৰ গভীৰতাত তোমাৰ আস্ফালন,
তোমাৰ আৰ্তনাদ
ভিতৰখন টুকুৰা টুকুৰ হৈ যায়।

পৰিবেষ্টিত কৰি ৰাখিছিলা
অসমীয়া সমাজ, অসমীয়া জন জীৱন
অতীত, বৰ্তমান আৰু অসমীয়াৰ ভৱিষ্যত।
অন্তৰৰ গভীৰৰ পৰা
কব নোৱাৰাকৈ বৈ আহে
দুগালেৰে চকুলো। ●

# হাৰ্টথ্ৰব জুবিন

প্ৰফুল্ল কোঁৱৰ

জুবিন তোমাৰ অকল নামেই নহয়,
যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰব হোৱা।
এদেউ দুদেউ কৰি আগুৱাই গ'লা,
শিল্পী জগত বান্ধি গাই গ'লা গান,
মঞ্চত উঠিয়েই তুমি পাইছিলা মান।
গাত আছিল অভিমান স্বভাৱ,
সেইয়াও যেন সত্যৰ প্ৰভাৱ।
প্ৰজন্মৰ বাবে ৰচিলা বহু গান
সিয়ে দিব তোমাক অমৰত্ব স্থান।
স্বাৰ্থপৰ লোকৰ হাতত হ'লা পুতলা,
কি যে স্বৰ্গ সুখ পাইছিলা বাৰু।
বহুদূৰ পাৰ হৈ পালা চিংগাপুৰ,
লগত আছিল বহু সহযোগী লোক।
অভিসন্ধি কৰি তোমাক দিছিল আনন্দ,
অনেক সু-স্বাদুৰে খুৱাইছিল ব্যঞ্জন।

উঠিল মদভাৰ, নাভাবিলে ভৱিষ্যত,
আছিল দেহত এক মাৰাত্মকীক ৰোগ।
নীতিগতভাৱে নকৰিলে পৰিচৰ্যা
উন্মাদনাত উঠলি উঠি আহিল সাগৰৰ পাৰে।
সমস্বৰে উচ্চাৰিত হ'ল প্ৰতিধ্বনি,
ইয়টত উঠি দেখা পালে স্বচ্ছ জলৰাশি।
উন্মাদ, উদগ্ৰীৱ হৈ নামিল নীল সাগৰত
গভীৰ জলৰাশি যেন শীতল যমদূত।
পবিত্ৰ আত্মাৰাশিক নিলে উৰুৱাই
বৈকুণ্ঠ ধামত নি থ'লে বহুৱাই।
পূৰ্ব্বজন্মৰ কৰ্মফলে পালে নিজৰ স্থান
অজস্ৰ জনৰ আছিল এক প্ৰাণৰ শিল্পী।
আবেগ বিহ্বলে আমি পৰিছো ভাগি
আকৌ যেন আহা তুমি এই স্থানলৈ।
আশাৰে বাট চাম আমি হাতযোৰ কৰি
শতকোটি বাৰ তোমাক কৰিছো প্ৰণাম। ●

# ফিনিক্স জুবিন

ৰাতুল কুমাৰ লাহন

উভতি আহ
ফিনিক্স হৈ
অ প্ৰাণৰ জুবিন
ভাঙি ছিঙি আহ প্ৰতাৰণাৰ জাল
সাগৰ নেওচি
অগ্নি বিনাশি
নতুন ৰূপত আহ
আহ...
মাথোঁ বুকুৰ মাজতে থাক ।

আজি অসমৰ প্ৰতি ঘৰতে
খাওতে, শোঁওতে, উঠোতে, বহোতে
মাথোঁ তই, তই আৰু তই
শকতি গোটালি
ভকতি গোটালি
ভালপোৱা আৰু ভালপোৱাৰে
মনৰ, প্ৰাণৰ সাগৰ-তলীৰ
মুকুতা হৈ ৰ'লিঙ্গ

এজন নহয়, দুজন নহয়
শত-সহস্ৰ জুবিন আজি
মনৰ মাজত ঘূৰে
সুন্দৰৰ সৰু-বৰ আলিয়েদি তাৰ
নিবিৰ-নীৰৰ আহ-যাহ
ফিনিক্স পখীৰ দৰে আজিচোন
মৃত্যু জিনি আহে
কালিৰ জুবিন নহয় সিজন
অজলা, অবলা, সহজ-সৰল
জানে আজি সি
কিহত অমৃত
কিহত গৰলঙ্গ
কি শকতিৰে বলীয়ান ইজন
কি ভকতিৰে মহীয়ান ..ঙ্গ
সেয়ে আজি নেকি
ভয়ত ত্ৰস্ত,
কূট-কৌশলত ব্যস্ত সিহঁত?
থৰ-থৰ, বৰ-বৰ
লাগিছে আজি প্ৰতিপক্ষ?
অগ্নি দহনত জ্বলি মৰিবি
স্বাৰ্থান্বেষীৰ দল
নিজৰ কবৰ নিজে খান্দিলি
নিজৰ মৃত্যু নিজে মাতিলি
পাপৰ জুয়ে খেদিছে তহঁতক
সাজু হ, সাজু হ।

নৰৰূপ লৈ আহিছে জুবিন
ফিনিক্স পক্ষী হৈ
আহিছে জুবিন
জাগিছে জুবিন
নাচিছে জুবিন
গাইছে জুবিন
মাথোঁ চৌদিশ তোলপাৰ আজি
জুবিন, জুবিন, জুবিন।
প্ৰকৃত অসমীয়াৰ বুকুত আজি
জুবিন, জুবিন, জুবিনঙ্গ
মাথোঁ জুবিন। ●

# সুৰ
(গণকণ্ঠ জুবিন গাৰ্গৰ সোঁৱৰণত)

**ধৰ্মেন্দ্ৰ উপাধ্যায়**

সুৰ এটা মাটিয়েদি উজাই আহি আকাশ
চানি ধৰিছে
চৰাইবোৰে গুণগুণাই ফুৰিছে সুৰটো
গছৰ ডালত সেউজীয়া হৈ হালিছে সুৰটো
ফুলবোৰত ৰং হৈ বিয়পিছে নদীত ঢৌ হৈ
উথলিছে সুৰটো
পুৱাৰ বৰগীতত দুপৰৰ বনগীতত
সন্ধিয়াৰ প্ৰাৰ্থনাত
ঢৌ তুলি তুলি লুইতেদি সাগৰেদি অনন্ত
অভিমুখে বৈ গৈছে সুৰটো
মানুহৰ অন্তৰৰো অন্তৰত হেঙুলীয়া বীণ
হৈ
ৰৈ ৰৈ বিনাইছে সুৰটো। ●

# কাঞ্চনজংঘা

ৰুলী শৰ্মা পূজাৰী

সেই সময়,
অসম আৰু অসমীয়াৰ অস্তিত্ব সংকটৰ
সময়,
তেতিয়া আহিছিল জুবিন,
চুলিত মেঘ বৰণৰ ঢৌ খেলাই,
সুৰৰ এক মায়াময় ধুমুহা হৈ।

কোনে থমকাব পাৰে?
মাজুলীৰ নিসংগতা, ব্ৰহ্মপুত্ৰৰ চাপৰি,
নে যোৰহাটৰ সন্ধিয়াই?
হেঙুলীয়া জীৱনৰ আঙুলিত ধৰি
তেওঁ যুঁজিলে অন্যায়ৰ সৈতে।
বৰগীত, লোকগীত, বিহুৰ তালেৰে,
উজ্বলি উঠা জোনাকৰ দৰে বৈ গ'ল।

অসমৰ চুকে কোনে বাজি থাকিল
সেই ধুমুহা, সেই গৰ্জন,
উন্মুক্ততাৰ এটি সত্তা হৈ।
সেই সুৰবোৰ কেৱল সুৰ নাছিল,
সেইয়া আছিল দুখৰ দিনৰ হাঁহি,
শিশুৰ প্ৰথম গুণগুণনি,
কৈশোৰৰ প্ৰথম মায়াভৰা ৰাতি,
প্ৰেমৰ পাতলীয়া তৰংগ,
বয়সন্থৰ প্ৰথম বিদ্ৰোহ।

সেই সুৰ আছিল,
ছাঁয়া আৰু আলোকৰ মাজৰ সুৰ,
স্বচ্ছ নিজান আনন্দৰ বতাহ।

জুবিন যেন এটি শব্দ,
জনতাৰ ৰন্ধ্রে ৰন্ধ্রে সিচৰিত হৈ থকা
এটি সুৰৰ ঝংকাৰ।
জুবিন যেন এখন মহাসাগৰ
যত নৈ উপনৈ মিলি
সাগৰলৈ বৈ যায়
আৰু তেওঁতেই বিলীন হয়।
জুবিন যেন দাতা কৰ্ণ,
সূৰ্য্যৰ গৰ্ভৰ পৰা ওলোৱা,
কেতিয়াও মৃত্যু নোহোৱা
অমৰ সূৰ্য।
জুবিন যেন কাঞ্চনজংঘা,
মুক্ত, উচ্চাকাঙক্ষী ।
সেই পৰ্বতখনৰ দৰে
স্থিতপ্রজ্ঞ, অপৰাজেয়।

এতিয়া মাথোঁ সীমাহীন নীৰৱতা,
বিষাদ আৰু ব্যথাভৰা আবেলি,
এমুঠি অসমাপ্ত গীত।
কিন্তু সেই সুৰ স্থায়ী হৈ ৰ'ল,
অসমৰ নদী, পাহাৰ, বতাহৰ মাজত
সদা বিৰাজমান হৈ ৰ'ল,
অসমীয়াৰ অন্তৰত
সদা জাতিষ্কাৰ হৈ ৰ'ল.... ●

# গানত তুমি

বিকাশ জ্যোতি ভূঞা

তোমাৰ গানৰ মাজত আমি
সুৰৰ বুকুত সাৰটি ,
বৰষা পোহৰৰ সুভাষ লৈ
টোপনি যাও
আউসীত জোনাক বিচাৰি।

এই মন তোমাৰ সুৰৰ লগত
এই প্ৰাণ তোমাৰ গানৰ সুৰত,
ফুলে ফুলে হয় প্ৰগতি
তুমি যে জীৱনৰ সূৰুয
মনৰ নিজানত প্ৰতি ৰাতি।

মায়াবিনী সপোন সাৱটি
তুমি যেন এতিয়া জুনবাই দেশত
এৰিলা সৃষ্টি বাতৰে শেষত।

মোৰ গান, মোৰ প্ৰেম, মোৰ আশা
শব্দত তোমাৰ অনুভাষা,
তুমি যে জীৱনৰ গীত
সুৰৰ লগত প্ৰেৰণাৰ ভাষা ।। ●

# নীলাভ আকাশৰ জ্যোতিষ্ক তুমি

জিনুমণি সাধনী বৰা

আকাশত জিলিকি আছে
এটি নক্ষত্ৰ
এজন কিংবদন্তিৰ শিল্পী।
যাৰ কণ্ঠত সৃষ্টি হৈছিল
সুৰৰ মায়াজাল
প্ৰেমৰ মাহাত্ম্য ।
বিমূৰ্ত গান, উত্তম আধুনিকতাবাদ
অসমীয়া সহজ সৰল বাস্তৱ ছবি।
শত সহস্ৰ জনৰ বুকুৰ অনুভৱত জীয়াই আছা তুমি
নীলাভ আকাশত তুমি জ্যোতিস্মান ।
তুমি সাগৰতকৈ গভীৰ আৰু বিশাল
কাঞ্চনজংঘা, ইউকেলিপ্টাছ্
গছতকৈও ওখ হৈ
মৰম আৰু ভালপোৱাই উপচাই দিলা জনগণক।
বাৰন্নটা বসন্ততে
বিশ্বৰ ইতিহাসত খোদিত কৰি
সমাজৰ স্থবিৰতা ভাঙিলা
আহ্বান কৰিছিলা জনতাক
নিজৰ বাবে জিকিবলৈ ।
নিঃস্বাৰ্থভাৱে বিলাই দিলা
উপাৰ্জনৰ সমস্তখিনিক
মানৱ দৰদী তুমি ।●

# জীৱন জিজ্ঞাস্

অপৰাজিতা হাজৰিকা

ঈশ্বৰৰ বৰপুত্ৰ
অযুত সপোন তোমাৰ
অথলে নাযায়
গছৰ সন্তান তুমি
নাহৰণিত থাকিবা প্ৰকৃতিৰ কোলাত।
ধৰণিৰ নৰপিশাচৰ প্ৰচণ্ড ঘৃণাৰে গ্ৰথিত
অভিশপ্ত পথেৰে কিয় গুচি গ'লা
মায়াবী সৰগলৈ;
কল্পতৰু যাদুকৰী কণ্ঠত
নাই আজি সপ্তসুৰ।
আছানে? মেঘৰ বুকু বিদাৰি,
ৰচিছানে? দৰদি প্ৰেম আৰু ৰ'দৰ গীত;
বৰঘৰবোৰ উদং হৈ পৰিল তুমি অবিহনে
মন-পথাৰৰ সেউজীয়াখিনিও
জাহ গ'ল অকালতে
পমি গ'ল আকাশে-বতাহে এক বিষাদ-গাঁথা।
এতিয়া, চিন্তাৰহিত যন্ত্ৰৱৎ মন-মগজুত
অচিন কীটৰ কিল্ বিলনি;
আৰ্ত অথবা মুমূৰ্ষুজনক খুদকণ যোগাৰ দিওঁতা
ফিনিক্স্ পখীটো
মেৰিয়াই লৈ গাত নীলা সাগৰৰ চাদৰখনি
অন্তৰ্ধ্যান হ'ল-অসীমত।
ৰৈ ৰৈ বাজে নিস্তব্ধতাৰ গান
শুনো মাথো আকাশৰ বিননি
গভীৰ নিশা নিৰৱতা ভেদি ●

# না শেষ জুবিন

**ৰাজিত চাংমাই**

তোমাৰ মৃত্যুৱে ৰজা প্ৰজা সকলোকে দি গ'ল শিক্ষা
বিশ্ববিদ্যালয়ৰ উচ্চ শিক্ষা নোহোৱাকৈ তুমি হৈ পৰিলা
চৌদিশে জুবিনময়
তুমি জীয়াই আছিলা জাতি নোহোৱাকৈ, সৰ্বসাধাৰণৰ
ধৰ্ম নোহোৱাকৈ কাঞ্চনজংঘা তুমি
ইউকেলিপটাছৰ দৰে ওখ হ'ব বিচাৰি
তুমি দেখাই গ'লা কেনেকৈ ইউকেলিপটাছ হ'ব পাৰি
কিংবদন্তি হ'ব পাৰি
ড° ভূপেন হাজৰিকাৰ লগত তুলনা কৰি
বহুতে তোমাৰ গীতক ছিজন ফ্লাৱাৰ বুলিছিল
তুমি নিৰবধি বৈ গৈছিলা সমসাময়িক অৰ্ধশতিকাজুৰি
য'ত সুধাকণ্ঠও এক পাৰেত থমকি ৰৈছিল
আচলতে কোনো মানুহ ইজনৰ লগত সিজন একে নহয়
সৃষ্টিকৰ্তাৰ মহিমাও তাতে প্ৰকাশে
তোমাৰ কল্পনা, অনুভৱ ইমানেই ধাৰাল
য'ত সাজসজ্জাৰ সাজো পাহৰি গৈছিলা
গীত পৰিৱেশনৰ মাজতে বৈদ্যুতিক খুঁটাত ৰৈছিলা
'আকাশ খন গাতে লবৰে মন
সাগৰ তলিত শুৱৰে মন'- তুমিহে ভাবিব পাৰা
হৃদয়ে হৃদয়ে বাস কৰি তুমি অমৰ হৈ ৰ'লা
গন্ধৰ্ব পুত্ৰ তুমি
আজিও তুমি থিয় হৈ আছা ঠায়ে ঠায়ে
বিশ্বৰ বুকুত তুমি পৰিচয় হ'লা, অসমীয়া জাতিৰ
শেষ বুলিলেই শেষ নহয়
তুমি তাকেই দেখাই গ'লা জীৱনে মৰণে ●

# প্ৰাণৰ শিল্পী

**গোলাপী ভূঞা বৰা**

প্ৰাণৰ শিল্পী তুমি,
জনতাৰ হৃদয়ে হৃদয়ে সুৰৰ ঝংকাৰ তোলা,
তুমি অক্লান্ত শিল্পী।
বন্ধুৰ পৰোচনাত পালেগৈ ছিংগাপুৰ
সাগৰৰ তলীৰ গভীৰতাৰ অন্বেষণত
জাপ দিলা নাৱৰ পৰা।
মুহূৰ্ততে শুই পৰিলা সাগৰৰ বুকুত।
পাৰ্থিৱ শৰীৰ নিৰ্বাক স্পন্দনহীন।
বিদেশৰ পৰা ভাঁহি অহা এটি অবাঞ্চিত খবৰ
স্তব্ধ দেশবাসী;
স্তব্ধ আপোনজন,
হেৰাই গ'ল সুমধুৰ ধ্বনি,
অন্ত পৰিল এটা যুগৰ।
আবেগ' অনুভূতিৰ দুধাৰ লোতক।
হে প্ৰাণৰ শিল্পী,
কফিনৰ ভিতৰত আহিলা মাতৃভূমিলৈ,
হাজাৰ হাজাৰ জনতাই উচুপি উচুপি
ফুল-গামোচাৰে জনালে শেষ শ্ৰদ্ধা।
ৰাজকীয় পৰিবেষ্টনিত চন্দন কাঠৰ
লেলিহান ধোঁৱাত বিলীন নশ্বৰ দেহ।
তোমাৰ অবিহনে মঞ্চ নিমাওমাও,
উকা নৱ ষ্টুডিঅ',
জনতাৰ হৃদয়ে হৃদয়ে জলন্ত শিখা হৈ
থাকিবা উজ্বলি।
অশ্ৰুভৰা অঞ্জলিৰে তোমালৈ যাচিলো
কোটি কোটি প্ৰণাম। ●

# "জুবিন এক সুৰৰ বগা বাট"

**দ্বিজেন শৰ্মা**

সেউজীয়া পাহাৰত
জোনাক ঢলি পৰিলেই,
দূৰ অদূৰৰ গাঁওবোৰত
জোনাকেৰে গোৰা হয়
তোমাৰ গীতবোৰ।

বহাগৰ বা লাগোতেই
তুমি যেন
বিহুৰ ঘূৰ্ণি বতাহজাক হৈ বোৱা,
এতিয়া ইয়াত একো নাই, একোৰেই নাই
তথাপিও যেন সকলো আছে,
সকলোৰেই গাইছে এতিয়া
তোমাৰ কণ্ঠৰ তালে তালে,
তোমাৰ সুৰীয়া গীতেৰে
এতিয়া পুৱাৰ সুৰুয উঠে
নিশাবোৰ ঢলি পৰে।

ৰাতিপুৱা নদীৰ ওপৰত উঠা
কুঁৱলীৰ আচ্ছাদৰ দৰে
মিঠা, কোমল তোমাৰ গীতে
মানুহৰ বুকুত এতিয়া
শান্তিৰ বতাহ বোৱাই।

তুমি নাইবাবে
মঞ্চবোৰ শুকান হ'ব,
মানুহৰ মনবোৰ উকা হ'ব
কাৰণ,
তোমাৰ সু ৰবোৰেই এতিয়া
অসমীয়াৰ হৃদয়ৰ
দীৰ্ঘ নিশ্বাস।

জুবিন, সুৰৰ সেই বগা বাট এৰি
তুমি গুছি গ'লা বহু দূৰলৈ,
আমাক তোমাৰ গীতে
হাতত ধৰি লৈ যায়
এক অবুজ নৈশব্দৰ মুৰ্চনালৈ।

তুমি অসমীয়াৰ গানৰ, প্ৰাণৰ...
জাতিৰ স্বাভিমান,
তুমি অসম আৰু অসমীয়াৰ
সুৰীয়া সংস্কৃতিৰ প্ৰতিমান।●

# জুবিন শ্ৰদ্ধাৰ্ঘ

**দেৱজিৎ দুৱৰা**

উনৈশ ছেপ্তেম্বৰ দুহেজাৰ পঁচিশ
হঠাতে সৰগ ভাগি বজ্ৰপাত পৰিছিল
অসমীৰ বুকুত জুবিনদাৰ অনুৰাগীৰ হিয়াত
আকাশে বতাহে যেন ভাঁহি আহিছিল
শুনিছিল বিদেশৰ চিঙ্গাপুৰৰ অজান সাগৰৰ বুকুত
অসমীয়াৰ হিয়াৰ আমঠু জুবিনদাই
জীৱনৰ শেষ নিশ্বাস ত্যাগ কৰিছে।
ম্লান পৰিল অসম, ভাৰত, বিশ্ববাসীৰ মন
চকুত চকুলোৰ নদী.....
হাহাকাৰ, হাহাকাৰ, হাহাকাৰ
লাখ লাখ অনুৰাগীৰ আৰ্তনাদ...
জাতি বৰ্ণ ধৰ্ম নিৰ্বিশেষে সহযোগ কৰিলে
শেষ বিদায় অন্তিম যাত্ৰাত দেশে বিদেশে
জয় জুবিনদা ধ্বনিৰে...
সঙ্গীতশিল্পী, অভিনেতা, বোলছবি পৰিচালক
প্ৰকৃতিপ্ৰেমী, দৰিদ্ৰ আৰ্তজনৰ
অন্ন বস্তুৰ যোগান ধৰোতা,
স্বদেশপ্ৰেমী, সাহসী পুৰুষ জুবিন সত্তা
আঠত্ৰিশ হাজাৰ গীত চল্লিশটা ভাষাত
সুৰৰ ঝংকাৰ তুলি সাৱলীল সুৱলা কণ্ঠৰে

বুটলিছিল সমাদৰ দেশে বিদেশে
"মায়াবিনী ৰাতিৰ বুকুত..."
প্ৰাৰ্থনা ৰূপে সবাৰে মুখতে
নকৰিছিল কাকোৱেই ঘৃণা কিম্বা অৱহেলা
মানৱ দৰদী জুবিন দাই বিলাই দিছিল সৰ্বস্ব
দৰিদ্ৰ আৰু ৰুগীয়াজনক
ঈশ্বৰ পুত্ৰ ৰূপে কৰিছিল জনসেৱা
দেখা নাই কোনোদিনেই হ'ব পাৰে অনুৰাগী
সৰ্প, হস্তী, বান্দৰ, বগলী, পাৰ, কুকুৰ
আৰু সৰ্বস্ব পশু-পক্ষী
শিৰ নত কৰি পূজে পুষ্প নৈবেদ্য যাচি
ধূপ চাকি গামোছা প্ৰিয় সামগ্ৰীৰে,
অকলশৰীয়া নহয় প্ৰতিদিন প্ৰতি ৰাতি
"জুবিন ক্ষেত্ৰ" আজি মন্দিৰ ৰূপে পৰিচিত
চিৰ নিদ্ৰাত শয়ন কৰিছে আজি সোণাপুৰ ভূমিত
বিশ্বজুৰি পৰিচিত আমাৰ হাৰ্টথ্ৰ'ব জুবিন দা
"হাৰ্মিং কিং, হাৰ্মিং কিং" বুলি। ●

# মই জুবিন বিন্দাছ আছো

**মন প্ৰভা হাজৰিকা**

সোণালী শৈশৱ মানেই বিন্দাছ জীৱনঙ্গ
মুকলি আকাশৰ তলত বাৰু কি কৰা
নাছিলো আমি?
আম, কঠাল, জামু, লিচু, বগৰী, মধুৰীৰ
দুটামান হাতত থাকিলেই
কিমান যে আমাৰ বাহাদুৰীঙ্গ
ৰিণি মিনিহঁতে বঁহতৰ গুটি দিলেহেযে
ফলিগুটিৰ টুকুৰা এটা সিহঁতক দিওঁ
কথাবোৰ বাৰু মনত আছেনে?
আমলখি, শিলিখা দিলেতো কথাই নাই
কাঠ পেঞ্চিল এডাল গোটে গোটেই
বদলি কৰি লওঁ ।
টিভি, ম'বাইল আদি নাছিল বাবেই
পথাৰৰ নৰানীত ৰবাৰ টেঙাবোৰে অলপ
কষ্ট পাইছিলনে ?
চুট মাৰি দিওঁ ইমূৰৰ পৰা সিমূৰ পায়গৈ,
বিহুৰ কথা নকওঁৱেই, একেবাৰে ঔ
গছৰ তললৈ যাওঁ
ৰাইজৰ লগত অৱশ্যে ঘৰে ঘৰে হুচৰি
গাবলৈও যাঁও ।
তহঁতেতো জানই মই বৰ্তমান জিৰণি লৈ

আছোঁ,
দুয়োখন ঘৰতে তিনিটা তিনিটা
ঘৰত  দেউতা, গৰিমা আৰু পামী
ইয়াত মা, মই আৰু জঙ্কী ।
ভাগ বতৰা কৰিলে ভাগবোৰ
সমান সমান হ'লেহে ভাল লাগে
মন নাছিল যদিও সমান সমান হ'বলৈকে
আহিলোঁ
মা শুই থকা শিতানতে আমি দুটাও শুও
মানে মাজত মাক লৈ শিতানৰ একানে
মই
আৰু আনটো কানে জঙ্কী- একেবাৰে
বিন্দাছ ।
বাকচ এটাত সোমায় সোমায় মাথাটো
গৰম হৈ গৈছিল,
বাকচ মানে কফিনটোৰ কথা কোৱা নাই
ষ্টুডিঅটোৰ কথাহে কৈছোঁ
দিন ৰাতিৰ কথা টো পাহৰিয়েই
পেলাইছিলো
বহুত গান গাই থৈ আহিলোঁ ।
গান বুলিলে দেউতালৈহে মনত পৰে অ'
নিজেই থৰক্ বৰক্
পিচে বেলিটোৰে ঢলফাঁট দিবহে লাগে
গীতৰ কলিবোৰ গুন গুনাবলৈ আৰম্ভ কৰেই
আৰু তহঁতবোৰো কম জানো
মোৰ আশে পাশে আহি বাদুলী ওলমাদি ওলমি থাকহি ।
শাৰদীৰ জোনাক গলা আকাশখন
নেদেখাযে কত যুগ হৈছিল ঙ্গ

এহ্ কিবা এটা ক'বলৈ গৈ কিবাখন
গালোঁঙ্গ
শুনহঁতচোন
সিদিনা সোণাপুৰত মোক শুৱাই লৈ
শচিনৰ শতক কেইটা ঘিউতে লগায়
দিলিহঁতযে ?
ভালেই কৰিলিহঁত দে
যিমানে ধুঁৱাই কুণ্ডলী পকাইছিল
সিমানেই পাকে পাকে মইও উৰিছিলো,
তহঁতবোৰো কিন্তু তামাম ঘাঁমিছিলিহঁত
দেই ।
ঘাঁম কেতিয়াবা চেলেকি চাইছহঁতনে ?
চাবিহঁতচোন চেলেকিলে লুনীয়া লুনীয়া লাগিব
গম পালিনে এতিয়া -
মানুহ মাত্রেই ধমনীত থকা তেজবোৰ
যেনেদৰে ৰঙা
ঘাঁমবোৰো সকলোৰে লুনীয়া
ঘৰ্মাক্ত দেহাবোৰ লুইতৰ পানীৰে ধুই
দিবিহঁতচোন
সাগৰক ধিয়াই বৈ গ'লেই গোন্ধতে মই
চিনি পাম
জাতিৰ সত্বা ক'ত হেৰাব ?
ভেলটোহে পুৰিলিহঁত আত্মাটো সাগৰতে
সাঁতুৰি থাকিল।
যাবিহঁত না সাগৰ চাবলে এপাক
পাৰবোৰত বন্দৰ নেদেঁখিলেও লঙ্গৰ
পেলায় দিবি
আহিম মই সাউতকৰে লগ পায় যাম ।
এইযে কথাই প্ৰতি মানুহবোৰে

তেজ দিম মাটি নিদিওঁ
লুইতৰ পানী তেজেৰে ৰাঙলী কৰিম বুলি কয়
মোৰ পিচে শুনিলে হাঁহিহে উঠে,
এবাৰমান মৰসাহ দি কবিহঁতচোন
লুইতৰ পানী আমি লুনীয়া কৰিম
কোৰৰ চাবত সোণতলী চহাই,
কপালৰ ঘাঁম মাটিত পেলায়
জোৱাৰক চেৰ পেলায় উজাই আহিম
ÎüëÂæÃï ±ëÂ±äÂÃÍù ঙ্গ
পৰ্বতৰ টিঙৰ পৰা বৈ অহা নিজৰাৰ
কুলু কুলু সুৰৰ ধ্বনি শুনিবলৈ
গছৰ ডালত পক্ষীৰ কলৰৱ শুনিবলৈ ঙ্গঙ্গ ●

# মায়াবিনী ৰাতি

চেনেহী বৰা

কণ্ঠত সোণ খাঁজি আহিছিলা তুমি।
হীৰা হৈ জন্মিছিলা অসম মুলুকতঙ্গ
কোনো কালে শেষ নোহোৱা অনুভৱবোৰ
মাথোঁ তোমাৰ ক্ষেত্ৰতহে মিলে।
ক্ৰমে শিল হৈ যোৱা তোমাৰ শুৱনি
লাৱনি মুখখন চাই হেঁপাহ নপলাইছিল অসমবাসীৰ
বৰ সুদৰ্শন আছিলা তুমিঙ্গ
এনেকৈ আঁতৰি গ'লা তুমি
ভাৱিলে ভাল নেলাগে আমাৰ।
শিল হৈ যোৱা তোমাৰ লাৱনী মুখ
নিমিষতে চাই হৈ গ'ল পঞ্চভূতত বিলিন হৈ
গ'লা তুমিঙ্গ
সাগৰলৈ কিয় গৈছিলা জুবিন?
তুমিটো নিজেই সংগীতৰ সাগৰ আছিলা?
তোমাৰ বিশাল সাগৰত ডুবি প্ৰতিজন
অসমীয়াই সংগীত সুধা পাণ কৰিছিলঙ্গ
তুমি সাগৰৰ তলিত মাণিক বুটলিবলৈ গৈছিলা?
তুমিটো সমগ্ৰ পৃথিৱীতে আছিলা
সংগীতৰ উজ্জ্বল মাণিক হৈ উজ্বলি?
তোমাৰ মৃত্যুৰ বতৰা পাই মানৱক দেৱতা জ্ঞান কৰা

জুবিন হেৰাই যোৱাত অজস্ৰ জনতাই অশ্ৰু জল
বোৱাই নিশ্চুপ হৈ কান্দিছিল।
আকাশ বতাহ নিনাদিত হৈছিল তোমাৰ বিদায়ত।
সমুদ্ৰৰ বুকুৰ পৰা তোমাক জগাবলৈ কোনো
নগ'ল।
মায়াবিনী ৰাতিৰ বুকুত দেৱতাৰ পুষ্প বৃষ্টি লৈ
তোমাৰ বুকুতে ফুলাবোৰে মৰম বিলাইছে।
'মায়াবিনী ৰাতিৰ বুকুত' তুমি দেৱতাৰ পুষ্প বৃষ্টি
লৈ শান্তিৰে শুই থাকা ●

# হেন্দোলনিত সৰি পৰিল সুৰ

*(কায়িকভাৱে শিল্পী জুবিন গাৰ্গক হেৰুৱাৰ পিছৰ ভাৱানুভূতি)*

**জিতেন বৰুৱা**

হেন্দোলনিত সৰি পৰিল সুৰ
নষ্ট অনুৰাগৰ অগাদেৰাত অকস্মাতে সৰিল
প্ৰাণৰ পখিলাৰ পাখি

এতিয়া বৰকৈ বিন্ধিছে সুৰবোৰে
বাহিৰে-ভিতৰে কেৱল সুৰৰ বিপন্ন আৰ্তনাদ

প্ৰীতিৰ পৰিধিৰ পৰা বৰ ততাতৈয়াকৈ আঁতৰি অহা
সুৰবোৰ অস্তৰাগৰ বৰণীয়া ৰঙৰ মাজত
শুই পৰিছে অকাতৰে

তেওঁৰ মুক্ত আলাপত আউল লাগি
ব্যাকুলিত হোৱা ৰাগিত
সুৰবোৰ এতিয়া নাই
নাই যে নাই
সুৰবোৰ এতিয়া কোনো কক্ষপথতে নাই

বৰ সকৰুণভাৱে
সুৰবোৰ এতিয়া অৰণ্যত নাই
সুৰবোৰ মাটিৰ মজিয়াতো নাই
মৰুভূমিৰ শুষ্কতাত যেন সুৰবোৰ হেৰাই গৈছে

মাথোঁ তেওঁৰ অবৰ্তমানত

স্বয়ংক্ৰিয়ভাৱে বাহিৰ হোৱা
সুৰৰ শোভাযাত্ৰাত
পিয়াপি দি ফুৰিছে
তেওঁৰে সুৰৰ মৌমাখিবোৰে

ৰং আৰু সুৰৰ বিনিময়
সকলো থাকি গ'ল
মাথোন এটা শব্দ নিৰুদ্দেশ হ'ল চিৰকালৰ বাবে

সময়ে বান্ধিব নোৱাৰা
এজন সুৰৰ তেজ-মঙহেৰে গঢ়া মানুহ
জীৱনৰ মঞ্চৰ পৰা আঁতৰি গ'ল

বাস্তৱতা এয়াই যে -
তেওঁৰ তেজৰ সাগৰত সুৰৰ ঢৌ আছিল
কিম্বা সাতখন সাগৰৰ গতি আছিল তেওঁৰ তেজত তলিত
তেওঁৰ খেয়ালী মনটোৱে জলজ ঢৌ আৰু
সুৰৰ ঢৌৰ মাজত এখন প্ৰীতিৰ যুঁজ সংৰচনা কৰিছিল
সেয়ে তেওঁ সাগৰৰ চকুত চকু থৈ ঘোষণা কৰিছিল
নিজৰ অৱস্থিতি

কিন্তু নিৰ্দয় সাগৰে
জলজ কফিনত তেওঁক বন্দী কৰি
মহাকালৰ হাতত তুলি দিলে তৎমুহূৰ্ততে

মহাকালে মাথোঁ উভতাই দিলে
অনুৰাগীৰ ওঁঠে ওঁঠে
একো একোটি স্পৰ্শাতীত কৰুণ সুৰৰ গৰিমা। ●

# আঁৰ কাপোৰৰ আঁৰৰ মানুহজন

**মল্লিকা বৰা**

তোমাৰ আৰু মোৰ মাজত যেন
এখন আঁৰ কাপোৰ আছিল।
সাগৰে যিদৰে নাজানে নিজৰ পৰিধি
ময়ো যেন কোনোবাখিনিত ব্যৰ্থ হৈ ৰ'লো।
তোমাৰ জীৱন কালত তোমাক চিনি পোৱাত...।
অনুৰাগী আছিলো মাথো মই
এটি নাহৰফুলীয়া কণ্ঠৰ চিৰকাল.....
আচ্ছন্ন হৈ আছিলো,
কেৱল সুৰৰ ৰাগীত....
কিন্তু কেৱল সুৰৰ মাজত সামৰিব যে নোৱাৰি
তোমাৰ দৰদী দুহাত ....
যি বৈ আছিল মহাবাহুৰ দৰে
অবিৰত..... অসহায় জনৰ বাবে।
তোমাৰ সুৰৰ আঁচল ধৰি
বহুদূৰ আগুৱাই আহিলোঁ....
ভাৱিবলৈ নহ'ল সুৰৰ অন্তৰালত থকা
তোমাৰ শব্দৰ শিপাবোৰৰ গভীৰতাৰ কথা
এতিয়া তোমাৰ সমগ্ৰ সত্তাই
মোৰ হৃদয়ত ঘৰ বান্ধিছে....
বিষাদৰ বৰ ঘৰ.....
তোমাৰ মানৱতাৰ জয়গান,
আৰ্তজনলৈ প্ৰসাৰিত হৈ থকা সেই
সেই কথা আজি বুকুত জ্বলিছে
প্ৰতিজন অসমীয়াৰ....
তুমি আমাৰ স্বাভিমান, তুমি আমাৰ সাহস।
তোমাৰ আদৰ্শৰে অনুপ্ৰাণিত হওঁক,
জুবিন দেশৰ নতুন পুৰুষ। ●

# অনন্য সত্তা তোমাৰ

বিদ্যুৎ প্ৰভা ফুকন

তুমি কোৱাৰ দৰে কেৱল
ৰজা নোহোৱা
তুমি মহাৰজা
তুমি দানবীৰ
তুমি চে-গুৱেভা বা
বিষ্ণুৰাভাৰ দৰে
প্ৰতিবাদী মুক্ত কণ্ঠ।
তুমি জনতাৰ হৃদয়ৰ মণি
তোমাৰ জাতি নাই
তুমি মুক্ত
তুমি কাঞ্চনজংঘা দৰে
সু-উচ্চ স্থিতপ্ৰজ্ঞ বিশাল
মন হৃদয় আৰু সৌন্দৰ্য
তোমাৰ গীত হয় প্ৰাৰ্থনা
অগণিত জনৰ কণ্ঠে
নিগৰে মায়াবিনী ৰাতিৰ বুকুত
তুমি মৃত্যু জিনি অমৰ
আকাশ সাগৰ বৰষুণ

ৰামধেনু ধুমুহা ৰ'দ গছ
জীৱ-জন্তু পখীৰ সুহৃদ তুমি
বিদায় সম্ভাষণ দিলেহি
তুমি বিচৰা দৰে আহি
তুমি কৰ্মোদ্যমী
সন্মোহিনী শক্তিৰে
জগতক কৰিলা সন্মোহিত।
তুমি বহেমিয়ান
চিতাৰ জুইত জিলিকি
উঠিল শতিকাৰ শ্ৰেষ্ঠ
Îî Â÷±1 › ¶[ Âå Ã¾ ●

# বৈভৱ বন্দনা

নৰজ্যোতি ভূঞা হাজৰিকা

তোমাৰ আত্মাৰ গান
তোমাৰ জীৱনৰ গান

গান তোমাৰ
শৈশৱৰ
যৌৱনৰ
জীৱনৰ

জাতি
ধৰ্ম
মানুহৰ

জীৱন বাসনাৰ প্ৰতিটো খোজতে
আস্থা আৰু নিষ্ঠাৰ দপদপনি

বীৰ দি বাট নোপোৱা
গীতৰ সমাবেশত
ষঞ্জযন্ত্ৰৰ সমলয়।

দেশৰ অৰঙে দৰঙে
নিচলা অসমীয়া

সাগৰৰ বুকুটো,

লেলিহান অনল
ছদ্মবেশী দানৱৰ
নৌকা বিহাৰ।।
হাঁহিৰ সমলয়।।।

ক্লান্তিহীন আত্মাৰ
দুখৰ বিননি...

শেষ হ'ল ...
শেষ হ'ল
এটা সময়ৰ শব্দ।
বহু আখৰৰ অৰ্থ ।
বহু অৰ্থৰ বৰ্ণ ।
আৰু সেই বৰ্ণৰে গথা বহু বাক্য।।
প্ৰশ্ন সকলোৰে ?????

তুমি গীতিকাৰ
তুমি অভিনেতা
তুমি ভৱিষ্যবাণী কৰোঁতা নে
ৰজা হৰিশ্চন্দ্ৰ।।।
তোমাৰ আবৰ্তমানত
পৃথিৱীয়ে বিনাইছে
বিনাইছে,
কাউৰী বগলী কাছ বান্দৰ কুকুৰ
বোৰে ...
বিনাইছে,
সেউজীয়া বোৰে।
চকুলোৰে থকা সৰকা কৰা
হৃদয়বোৰে মাৰ বান্ধি থিয় দিছে।

সকলোৰে বুজাব খুজিছে
“অস্ত্ৰতকৈ কলম শ্ৰেষ্ঠ”
কিন্তু,
তুমি থাকোঁতেও
ৰাজনীতি
আজিও ৰাজনীতি
ৰাজনীতিতো ৰাজনীতি।।

তোমাক ভালপোৱা খিনিয়ে
তোমাক জীয়াই ৰাখিব খোজে
সঁচা মনেৰে, সঁচা আবেগেৰে

ভালপাব শিকাবোৰে
নতুন ৰূপত কিবা কৰিব খুজি
মেল মিটিং ৰ আয়োজন কৰে।

বেছিকৈ ভালপোৱা চৰকাৰ খনে
পোষ্ট মৰ্টেম কৰিয়েই আছে
নতুন তথ্যৰ যা-যোগাৰ আৰু
ন্যায়িক তদন্ত (??) কৰিয়েই আছে।।

সকলো ব্যস্ত
নাই কোনো ক্ষান্ত
আলোচনাৰ বিপনীত
আমিও হোৱা নাই ক্লান্ত।।

এটা সত্তা হেৰাই গ'ল
নোপোৱাৰ অন্তহীন পৰিক্ৰমাত।
এটা পোহৰ শেষ হ'ল

ঘনঘোৰ আন্ধাৰৰ ছত্ৰছায়াত।

জীৱন নাটৰ দোমোজাত তুলিকাৰ
ৰঙেৰে অঁকা
এখনি এবষ্ট্ৰেক্ট তৈল চিত্ৰ।
যাৰ কোনো ধৰ্ম নাই।
যাৰ কোনো জাতি নাই।।
যাৰ কোনো ঈশ্বৰ নাই।।।
যাৰ কোনো ন্যায় নাই ।।।।

নামঘৰ মন্দিৰ মচজিদ গীৰ্জা তথা গুৰুদ্বাৰৰ বাকৰিত
তোমাৰেই জয়গান ।।

মৰিশালিটো মন্দিৰ হ'ল
মানুহজন মহাপুৰুষ হ'ল
সাগৰখন স্থিত প্ৰজ্ঞ
দেশবাসী নিতাল স্তব্ধ।।

তুমি নথকাৰ অনুভৱ আমি বুজিছোঁ..
ধুমুহাৰ গৰ্জনি শুনিছোঁ..
ৰৈ ৰৈ বিনাইছোঁ..

দিনটোত ক'ত বাৰ যে লিখিছোঁ,
#JusticeForZubeenGarg

এতিয়া কেৱল গুণগুণাও,
"বাতৰে শেষতে বাত চাও তোমালে, লৈ যোৱা হি..." ●

# নতুন গান এটা গাম

অৰনী কুমাৰ ভাগৱতী

এইকেইদিন হাই-কাজিয়া নাই
খোৱা-লোৱাৰো কোনো ঠিকনা নাই।

একোতে নবহে মন
উশাহ-নিশাহ ঘন
পথাৰো ছন
জুবিন যে নাই।

কাৰোবাক লগ পালে
গছলৈ চকু যায়
বাটৰে শেষতে
গানৰ কথা ওলায়
আকাশে ৰং সলায়
জুবিন যে নাই।

বাতৰিৰ পাত লুটিয়াওঁ
ম'বাইলত বিচাৰি ফুৰো
নৈৰ পাৰলৈ যাওঁ
ক'ত আছে ক'ত নাই
গীতৰ আঁত ধৰি
বাটে বাটে চাওঁ।

মানুহ গোট খালেই
জুবিনক বিচাৰি যাওঁ
গীতাৰখন দেখিলেই

বাতৰিৰ পাত লুটিয়াওঁ
ম'বাইলত বিচাৰি ফুৰো
নৈৰ পাৰলৈ যাওঁ
ক'ত আছে ক'ত নাই
গীতৰ আঁত ধৰি
বাটে বাটে চাওঁ।

মানুহ গোট খালেই
জুবিনক বিচাৰি যাওঁ
গীতাৰখন দেখিলেই
দীঘল আঙুলিবোৰ
দুবাহুত আঁকি লোৱা
ছবিবোৰ চাওঁ।

গান মানেই জুবিন
মঞ্চ মানেই
জুবিনৰ
বুকু খোলা চোলা
ধ্বনি-প্ৰতিধ্বনিৰে
ধুমুহাৰ আখৰা।

মাইকত কোৰা শুনো
আজি মন নাই
গান নাগাওঁ
কাইলৈ পুৱাতে আহিম
প্ৰাণ খুলি কথা পাতিম
ইজনে সিজনক চাম
নতুন গান এটা গাম। ●

# জুবিন-জীৱন-যন্ত্ৰণা-যন্ত্ৰ

**সত্যমোহন দত্ত**

মই জুবিনে কৈছো ছিংগাপুৰৰ পৰা
মোক তোমালোকে শুবলৈ দিয়া অকণমান
বৰ ভাগৰ লাগিছে
বহুত গান গালো
কথা কঁলো....
মোক আৰু আমনি নকৰিবা....
সাগৰ তলিতেই শুব বিচাৰো...
মোক ইয়ালৈ লৈ অহা নৰপিশাচ কেইটাক
মই চিনিয়েই নাপালো।
সিহঁতক অসমলৈ লৈ যোৱা
মই ইয়াতেই থাকিম
যেতিয়ালৈকে মোৰ টোপনি নেভাগে।
মোক সিহঁতে বহুত কষ্ট দিলে অ'
নুবুজিলো একোকে
হিতাহিত জ্ঞান হেৰাই গ'ল...
সপোনবোৰ সপোন হৈয়ে ৰ'ল।
আগতে জানিও বহুত ভুল কৰিলো
সন্ত-মহন্তই বিশ্বাসঘাটক কৰিলে
টিল-টিলকৈ মৃত্যু মুখত পেলালে।
মই কিন্তু সিহঁতক বিশ্বাসঘাটক কৰা নাছিলো।

টকা লাগে মাথোন টকা।
সিহঁতক আন একোৰেই নালাগে।
কিমান সহিব পৃথিৱীয়ে
তহঁতৰ পাপ।
সাজু হ তহঁতি মৃত্যুৰ কাৰণে আৰু
বেছিপৰ নাই
ৰৈ আছে তহঁতৰ দুৱাৰদলিত ‘যমদূত’
মোক জীৱনটোৰে এটা সংগ্ৰাম
কালৈকো মই ভয় নকৰো
তহঁতি মোক মৰা নাই
মই অমৰ
অসমবাসীয়ে মোক জীয়াই ৰাখিব। ●

# শূন্যতা

ৰেখামণি মহন্ত

শূন্যতেই আৰম্ভ
আৰু বিলীন শূন্যতেই
জীৱনৰ পল-অনুপল
পোৰা -নোপোৰাৰ
কৌতুহল
পায় হেৰুওৱাৰ দাৰুণ বেদনাত
মৰ্মাহত চৌদিশ
ইযে নিৰ্মম নিষ্ঠুৰ নিৰবধি
মাথো প্ৰাত্যহিক সময়ৰ
অবাস্তৱিক
নিৰ্মোহ বিশ্লেষণ
স্মৃতিৰ মকৰা জালত
বিস্মৃত হৈ ৰয়
মহঙা সপোন
কোনে কাক সুধিব পাৰে
কোন কিমান আপোন
অথবা পৰ
মৃত্যু মানেই বিস্মৃতি নহয়
মৃত্যুৰ পিচতো থাকে
আদৰ্শৰ প্ৰতীক
এক শৈল্পীক সৌন্দৰ্য।●

# কোন দিনা আহিব

**কলেশ্বৰ নৰহ**

ডাৱৰে আৱৰা আকাশখনক, মুক্ত আকাশ কৰিবলৈ
ড্ৰাগছেৰে ভৰা দেশখনক, ড্ৰাগছহীন কৰিবলৈ
কোন দিনা আহিব?
ভাষাহীন ভাষাক, শুদ্ধকৈ ক'বলৈ
অভদ্ৰতা দেশক, ভদ্ৰতা কৰিবলৈ
মিছলীয়া দেশক, সত্যবাদী কৰিবলৈ
বিষাক্ত খাদ্যক, বিশুদ্ধ কৰিবলৈ
'দেশদ্ৰোহী মানুহক, দেশপ্ৰেমিক কৰিবলৈ
কাপোৰ পিন্ধিব নজনাক, ন-কন্যা সজাবলৈ
অৰাজনৈতিক, ৰাজনীতি কৰিবলৈ
অসত্যবাদী মানুহক, সত্যবাদী কৰিবলৈ
মামৰে ধৰা হেংডাংখনক, দা'ৰ ধৰিবলৈ
ৰাজহাড় ভঙা আইক, যোৰা মাৰিবলৈ
শুকান ধৰণীখনক, জীপাল কৰিবলৈ
কোন দিনা আহিব **জুবিনদা**? ●

## বন্ধুত্ব
## (জুবিন গাৰ্গৰ পৱিত্ৰ স্মৃতিত)

উত্তম বৰা

বন্ধু মোৰ প্ৰিয় হ'ব পাৰে
কিন্তু তেওঁৰ প্ৰিয় নহয়,
কাৰণ বন্ধুক মই সহায় কৰোঁ
আৰু তেওঁ মোক শোষণ কৰে।

বন্ধু সদৃশ জনতাৰ বাবে  লিখোঁ মই
মানৱৰ গান, কবিতা
জনৈক বন্ধুৱে বুকুত লিখে বেদনাৰ
চুটিগল্প;
মই আশা কৰোঁ- চ'তৰ বৰদৈচিলাৰ
তালে তালে নাচিম,
তেওঁৰ ভাবে বহাগত টকা দৌল সাজিম।

বহাগ আহিলে মোৰ দুচকুত অনুৰাগীৰে
ৰং কৰে ধেমালি কৰে বন্ধু কৰলত
অনুৰাগী সকলে তিক্ততাৰ অনুভৱ কৰে।

মই দয়ালু হোৱাতো তেওঁ হৃদয়ৰ পৰা
বেয়া পায়,
অথচ সপোনত দেখো জাতি বৰ্ণ
নিৰ্বিশেষে অসমৰ জয়গান। ●

# গছ ভালপোৱা শিল্পীজন

ৰূপাঞ্জলি ভূঞা হাজৰিকা

পাহাৰৰ উদাৰ বক্ষত
হৃদয়ত সেউজীয়া লৈ
গছ ভালপোৱা শিল্পীজন উপজিছিল
গীতৰ সফুৰা লৈ
অসমৰ চুকে-কোনে জোনাক সিঁচিছিল।

সেয়া যে জুবিন....
নামেই যাৰ পৰিচয়
অসমৰ
ভাৰতৰ
বিশ্বৰ এটি হৃদয়জিনা নাম ।

ভাল পাইছিল তেওঁ জোন
দুচকু মুদি ৰ'দালিৰে হাঁহে
দুচকু তুলি জোনালীৰে খেলে
নামি আহে হিয়ালৈ ধূলিয়ৰি ফাগুন ।

তেওঁ মানুহক মানুহে তেওঁক
ভাল পাইছিল
তেওঁ জনতাৰ হৃদয় জিনিছিল ।
তেওঁৰ গীতৰ শৰাই এগছি বন্তি

আকাশ, বতাহ, ধুমুহা আন্ধাৰ পোহৰ
সকলোতে এটাই বাৰ্তা... প্ৰশান্তি।

দেশে দেশে বিলাইছিল
স্বদেশ প্ৰেমৰ সোণালী পৃষ্ঠা
স্বদেশক ভালপোৱা শিল্পীজনাৰ
বিদেশৰ সাগৰ তলিত হেৰাল ঠিকনাঙ্গঙ্গ

স্বদেশৰ মাটিত তেওঁৰ অন্তিম শয়ণ
প্ৰাণৰ শিল্পী তেওঁ অসমীয়াৰ হৃদয়
স্পন্দন। ●

# জ্বলি উঠা জুই হৈ

**অভ্ৰজিতা হাজৰিকা**

এৰা এৰি ক্ষণিকৰে বুলি কৈ
চিৰকালৰ বাবে আঁতৰি গলা.......
বুকুত হাজাৰ প্ৰশ্ন হাজাৰ বেদনা থৈ
চিৰকালৰ বাবে অকলশীয়া কৰি গ'লা
তোমাৰ মৰমৰ মানুহ গৰাকীক

ৰোমিঅ'-জুলিয়েটৰ জ্ঞান আমাৰ নাই,
নাই দেখা আমি জংকী পানৈক
কিন্তু প্ৰেমৰ সংজ্ঞা দিবলৈ
ল'ব পাৰি জুবিন আৰু গৰিমাৰ নাম......

ÛýÃaËLMßÂûþÎ › ¶ gen -z ৰ কালত
নিঃস্বাৰ্থ ভালপোৱা আমি দেখিছোঁ।
দেখিছোঁ আমি এজন ভগৱানৰ ভালপোৱা,
য'ত আছিল মাথোঁ আদৰ, বিশ্বাস, ধেমালি
আৰু এসাগৰ মৰম।

গ'লাগৈ তুমি তেওঁক অকলশীয়া কৰি থৈ.......
জীয়াই আছে তেওঁ
কিন্তু তেওঁ আৰু তোমাৰ গৰিমা হৈ নাই।
তোমাৰ অবিহনে তেওঁ উদং
উদং তেওঁৰ সমস্ত পৃথিৱী।

মই জানোঁ....
অহাতো জনমত আকৌ আহিবা
আহিবা গৰিমাৰ গ'ল্ডি হৈ,
পুনৰ পৰিবা প্ৰেয়সীৰ প্ৰেমত।
সৃষ্টি হ'ব এক নতুন কাহিনী
পুনৰ লিখিবা তুমি তেজাল ৰক্তৰে
প্ৰেম ভালপোৱাৰ গান
'জ্বলি উঠা জুই হৈ
জ্বলোৱা মোৰ কামনা.....'। ●

# তুমি নোহোৱাৰ অনুভৱ

অনন্যা সন্দিকৈ

এতিয়া মাথো দিনবোৰ জ্বলিছে.....
ৰাতিবোৰ গলিছে....
তেওঁৰ মায়াবিনীৰ স্পন্দনত।
শৰতৰ প্ৰভাতি সুৰত চোন
আজিও তেওঁৰেই কথা....
মোৰ কৈশোৰ যৌৱনে
বাৰে বাৰে চিঞৰি আওৰাইছে
'ৰ'দ ৰ'দ আজি কেনি পাঁও'?
ৰ'দজাক বাৰু সঁচাকৈয়ে হেৰাই গ'ল
তেওঁ গোৱা নিতাল নিশাৰ
গহীন গানবোৰৰ মাজত.... ?
ঘেন্টা কাকো খাতিৰ নকৰা
বনৰীয়া মানুহজনে
আজিচোন বৰ নীৰৱ হৈয়ে জোকাৰি গ'ল
প্ৰতিজন অসমীয়াৰ আমঠু টুকুৰা,
কামিহাড় ভাঙি যোৱা বতাহ্ এজাকে
কোবাই থৈ গ'ল..... সাগৰৰ সোঁতৰ দৰে।
কোনে আজি দুভাগ ৰাতি
প্ৰেমিকবোৰক মাতিবলৈ সাহস দিব
'তুমি মোৰ মাথো মোৰ' বুলি

আজি প্ৰকৃতিৰ বুকুখনতো  যেন
গোট মাৰিলে এসাগৰ চেঁচা ৰঙা তেজ
সেয়ে বৰষুণ হৈ জনালে
তেওঁক শেষ আলিঙ্গন
যন্ত্ৰময় পৃথিৱীখনৰ মাজতো যে
সেউজীয়াবোৰে উশাহ লৈ আছে
তেওঁ বুজাই থৈ গ'ল সাগৰৰ তলীত শুই
উচ্চ স্বৰত বাজি উঠিল....
'ধুমুহাৰ স'তে মোৰ বহু যুগৰে নাচোন'
কংক্ৰিতৰ মায়াবিনী ৰাতিবোৰৰ মাজত
জ্বলি উঠিল অসমীয়াৰ দ্বীপক ছবিখন
তেওঁ হেৰাই হেৰাই গৈও......
আজি খুচৰি উলিয়াই থৈ গ'ল
Õü÷Ïûþ Îî ÂèÃ ü Q± ôÂÝô±¼ ●

# মহান শিল্পী জুবিন গাৰ্গ

**দিপালী চেতিয়া মজুমদাৰ**

হে' মহান শিল্পী
তুমি নাই
মনে যে কেতিয়াও নামানে
তোমাৰ সুৰীয়া কণ্ঠ
কেনেকৈ পাহৰিমঙ্গ
তোমাৰ অবিহনে
কেনেকৈ জীয়াই থাকিব
অসমীয়া জাতিটো?

শিল্পী সত্বাৰে
শত-সহস্ৰ সুৰ স্ৰষ্টা
যি সুৰেৰে মুখৰিত কৰি তুলিছিলা
অসমৰ আকাশ বতাহ
আলোড়িত কৰিছিলা দেশ-দেশান্তৰ

তুমি যে এগৰাকী জাতীয় সত্বা
অসমীয়াৰ প্ৰাণ
হিয়াৰ আমঠু তুমি।
তুমি সাগৰ ভাল পাইছিলা
কিন্তু ..............
সাগৰৰ তলিত শুবলৈটো বিচৰা নাছিলা?
তুমি মহাবাহু ব্ৰহ্মপুত্ৰৰ কথা কৈছিলা

ঠিকেই.....
মহাবাহু ব্ৰহ্মপুত্ৰই তোমাক আলফুলে
পাৰলৈ চপাই দিলেহেঁতেন,
কিন্তু; সাগৰে বুজি নাপালে
তোমাৰ সুৰীয়া কণ্ঠৰ উমান
তোমাৰ গভীৰতা কিমান?
তোমাৰ গানতে যে আছিল
অসমীয়া জাতিটোৰ
Õî Âñ Âêñ Âç±ò Õ±lņöÂ÷øÉ Â¼ ●

# সংঘাত

কৃষ্ণ বাহাদুৰ ৰাউত

সোণৰ বিছনা নালাগে মোক
নালাগে সোণৰ বিছনি
নালাগে বন্ধু বিলাসীতাৰ একোৱেই
দিলে দিয়া মোক কিতাপ এখনি।
মই একোটি পৃষ্ঠা কিতাপ
আখৰৰ শাৰী শাৰী
ধন্যবাদ বন্ধুঙ্গ লগ পোৱাৰ হেঁপাহত
নোৱাৰো দিব মই দলিচা পাৰি।

ত'ৰাগণি নোৱাৰো কৰিব শেষ
অথচ ৰাতি পুৱায়
লক্ষ্য আঁঙুলী মূৰত গণি গণি
সংগ্ৰামী জীৱন আগবাঢ়ি যায়।

এতেকে ভাবো মই নালাগে ধন্যবাদঙ্গ
আগাবঢ়ি যোৱাত আছো
লক্ষ্য নিচেই ওচৰ অলেও
হাত বাউলী নাপালে আছে।
সুঁত জীৱনৰো থাকে বৈ যাব পৰা
উজুটি খালেও থিয় দিমমই
আগুৱাই যাম বন্ধুঙ্গ অক্লান্ত মনে
কৈ যাম সকলোকে শুনাকৈ মই। ●

# যন্ত্ৰ

বিপুল শইকীয়া

বহলাই পাৰিছোঁ আজি দুখৰ পাটী
অগ্নি শিখাৰ মাজত এইয়া যুগদ্ৰষ্টাৰ
অস্তগামী বেলি
গা বোৰ বৰকৈ কঁপিছে ,
একো নজনাকৈয়ে গুছি গলা শিকলি
ছিঙি ... ?
গোপন সন্ধিবোৰ জনা হ'লে
আজি চকুৰ পানীৰে সাগৰ নহ'ল হয়
অথবা নীলাম্বৰ নহ'ল হয় শৰীৰ.... ।
সাগৰ নীলা..তোমাৰ বাবে প্ৰিয় আছিল
নহয় ?
আৰু আমিবোৰ.....
বোধকৰো কোনোৰে নহয়......ঙ্গ
কিমান চিঞৰি চিঞৰি কন্দা হ'লে তুমি
উভতি চালা হয় এবাৰ,
ছিংগাপুৰ অথবা সোণাপুৰৰ পৰা ,
কিমান বুকু ঢকিয়াই চিৰাচিৰ কৰা হ'লে
বুজি পালা হয় ৰিক্ত হৃদয়ৰ হুমুনিয়াহ......ঙ্গ
এতিয়া চোৰাছোন.....
তোমাৰ বাবেই
জনশ্ৰুতাৰ বিশাল সাগৰ ,
মানুহ, কেৱল মানুহ,
অলেখ অগণন জনগণ....ঙ্গ
মুক্ত কণ্ঠ .....,

তুমি এতিয়াও নিমাত ঙ
শুই আছা কিয়.....?
এবাৰ চোৱা, আকাশে বতাহে ফেন ক্লাব
আৰু তোমাৰ লক্ষাধিক প্ৰিয় ?
এটি নক্ষত্ৰ সৰি পৰিল
শিয়ালৰ হুৱাই কক্ষ-চ্যুত কৰিল
সাগৰ নীলা দুচকুত এন্ধাৰ নমাই
মৰহা শৰতৰ দলিছাত এতিয়া তুমি
গভীৰ নিদ্ৰাত....,
সোণাপুৰ এতিয়া তোমাৰ জিৰণি ঘৰ...
আৰু আমি দিকৃভ্ৰান্ত যাত্ৰী, বঠাহীন নাৱৰ....।
সাগৰ তলিত শোৱাৰ মন,
লুইতৰ বুকুত বৈ যোৱাৰ পণ
তুমি এক নীৰৱ যন্ত্ৰ ,
এতিয়া চকুমেলি চোৱা ,
স্তব্ধ চহৰ ,
তপ্ত চকুলোৰে দগ্ধ হৃদয়
ধৰ্ম নাই তাত, জাতি নাই তাত
মহানায়কৰ মহাপ্ৰস্থান
কেৱল মানুহ আৰু মানুহৰ মুখত
হিয়া ভঙা ধুমুহাৰ গান..।

হিয়াৰ আমঠুক এবাৰ চুই চোৱাৰ
হেঁপাহ...
মায়াবিনী ৰাতিৰ পোহাৰ মেলি
ইউক্লিপ্টাছৰ দৰে ওখ ওখ ঢৌ খেলি
ঢাহি মুহি উটি আহিল
অলেখ মানুহ.....

আকাশে বতাহে
দেৱ দুন্দুভি,
চৌদিশ বৰষিছে অশ্রু অঞ্জলি, পুষ্পাঞ্জলি...।
অনৰ্গল বাজিল মায়াবীনী
এটা অনন্ত কালৰ গান, গুণ গুণ..
ধুমুহাৰ সতে মোৰ......
বহুযুগৰে নাচোন....ঙ্গ
কিহৰ অভিমান আছিল
কিয় এনে যান্ত্রিক মন... সাগৰ তলিৰ
দুৰ্গম অভিযান
তোমাৰ বাবে ছাগৈ আমি একোৰে নহয়
ন.... যোৰা.....ঙ্গঙ্গঙ্গ
নহ'লে আকৌ গোৰাচোন কলিজা কঁপাই দিয়া
হামিংটোৰ স'তে..
ইয়া আলি বা হিয়া দিয়া নিয়া......
তুমি দেখুৱালা
অসমী আইৰ মাৰ্গ'
কেৱল চাহ, গঁড় আৰু জুবিন গাৰ্গ..
কোনে ক'ব
ঘেন্টা, .........কোন..অ..সেই গৰুটো.....ঙ্গ
নাকান্দিবি....
তহঁতবোৰ বৰ ঠুনুকা অ'...
মই জিৰাইছোহে মাথোঁ.....
পুৱতি নিশাৰ তৰা হৈ
কাইলৈ আকৌ গাম
দুকুৰি ভাষাত আঠত্ৰিশ হাজাৰ গান
আৰু তাতে জীয়াই থাকিব
জনতাৰ বুকুত শিল্পীৰ আচল দাম....

উলিয়াই দিম দে, অহাবাৰ বিহুত
বুৰ্জ খলিফাত জিলিকি থকাকৈ
তহঁতৰ বাবে এটা নতুন এলবাম...
মই নহ'লেও, কথা নাই দে...ঙ্গ
অমৃত পিয়াসী মোৰ গান
তহঁতে নাচিবি মই নেপথ্যত গাম..
ব'হাগৰ বোকাবোৰ বৰকৈ ন'লবি..
যাওঁগৈ দে
বিহুতলিৰ বৰষুণত তহঁতক পুনৰ
লগ পাম....ঙ্গঙ্গ ●

# ঈশ্বৰ পুত্ৰলৈ

কৃষ্ণা বৰা

তুমি ঈশ্বৰপুত্ৰ,
তোমাৰ শব্দৰ মায়াজালেৰে,
তোমাৰ সুৰৰ মায়াজালেৰে,
মোহচ্ছন্ন কৰিছিলা বিশ্ববাসীক
আজি সাত সাগৰ, তেৰ নদী পাৰ হৈ
সমগ্ৰ বিশ্বতে তোমাৰ গানৰ জয়গান,
তোমাৰ সুৰৰ জয়গান
ঈশ্বৰপুত্ৰ,
তোমাৰ ভালপোৱাৰে
জিনিছিলা জগত
তোমাৰ গানৰ জ্যোতিৰে
পোহৰাইছিলা চৌপাশ,
এতিয়া চৌদিশে তোমাৰ গানৰ গুণগুণ
এতিয়া চৌপাশে তোমাৰ সুৰৰ ৰুণজুন
এতিয়া চৌপাশে গুঞ্জৰিত, আকাশে-বতাহে গুঞ্জৰিত
মায়াবিনীৰ গান, পোহৰৰ গান
ঈশ্বৰপুত্ৰ,
তুমিয়েই মানুহক শিকালা মানৱতাৰ জয়গান।।●

# অবাধ গতিৰ এক সুদৃঢ় প্ৰতিবাদী সত্তা

**বিপাশা বৰুৱা**

যি শ্বাস্বত এক ৰূপান্তৰৰ...
 নৱজাগৰণৰ...
যি জাগৰণত স্তব্ধ ক্ৰূৰতা,
যাৰ প্ৰতিবাদী অমিয়া কণ্ঠই জগাই
বিশ্বক।
সেই সুৰসিকৰ স্পষ্ট বাৰ্তা-“অসাধাৰণ
মই, মোৰ স্বাধীনতা, মোৰ কথা গান
কবিতা......।”
বৰ্তমানেও অস্পষ্ট আমিবোৰ...
সেই প্ৰতিবাদী সত্তাৰ পৰিধি বুজাত আমিবোৰ সঁচাই ব্যৰ্থ।
হঠাৎ স্তব্ধ হ’ল সেই কণ্ঠঙ্গ
জনতাও যেন আজি অৱৰুদ্ধ
কিংকৰ্তব্যবিমূঢ়......
বিলীন হ’ল প্ৰকৃতিৰ নিৰৱ সাধক
প্ৰকৃতিৰ বুকুত,
আমি মাত্ৰ নিৰৱ দৰ্শক ‘মায়াৱিনী ৰাতি’ৰ
গুপুত ৰহস্যৰ।
‘বিপ্লৱ আজি অভিশাপ্ত’ হোৱাৰ পথত
তথাপি বাট চাম শোষকৰ দিবাস্বপ্ন ভাঙি
যেন মিছিলে আজুৰি আনক
ন্যায়ৰ সোপান।।●

# "শিল্পী তোমাক সহস্ৰ প্ৰণাম"

**দিপ্তী শইকীয়া ভূঞা**

বহু গুণৰ শিৰোমণি তুমি
পৃথিৱী ছন্দোময় কৰি তুলিছিলা
অনন্ত সুৰৰ ধ্বনি.....।।
এক তুলাবিহীন
ব্যক্তিত্বৰ অধিকাৰী
বিশ্ব বন্দিত শিল্পী তুমি.....।।
তুমি মিলি গ'লা
বিশাল আকাশৰ সৈতে
কোটি কোটি জনগণৰ
হৃদয়ত সিঁচি গ'লা
তোমাৰ কালজয়ী গীত
তুমি নোহোৱাৰ বেদনাই
অসম মাতৃ তথা বিশ্ববাসীৰ
গভীৰ দুখ আৰু উচুপণিৰ
কৰুণ সংগীত....।।
তুমি নোহোৱাৰ বেদনাই
অসম মাতৃ তথা বিশ্ববাসীৰ
গভীৰ দুখ আৰু উচুপণিৰ
কৰুণ সংগীত....।।

তুমি সমগ্ৰ বিশ্বতে
এক নিৰ্মল ইতিহাস হৈ ৰ'লা
তোমাৰ মৌ বৰষা কণ্ঠেকে
প্ৰতিজন অসমীয়াৰ
হৃদয়খন ওপচাই পেলালা...।।
তোমাৰ অনুপস্থিতিত
স্তব্ধ হৈ পৰিছে পআজি
সুৰৰ নিজৰা....।।
তুমি এক ব্যতিক্ৰমী সত্বা
তুলনাবিহীন তুমি
মাথোঁ তোমাক
ঈশ্বৰৰ লগতহে
তুলনা কৰিব পাৰি....।।
অন্তৰখন পবিত্ৰতাৰে ভৰা ●

# যুগস্ৰষ্টা

লাৱণ্য তামূলী

তুমি আকাশৰ এটি ধ্ৰুৱতৰা সদৃশ উজ্জল নক্ষত্ৰ
কেনেকৈ হ'লা তুমি কক্ষচ্যুত?
দুখীয়াৰ ত্ৰাণকৰ্তা,
ৰুগীৰ পথ্য দিওতা।
সৰ্বকালৰ সৰ্বব্যাপী তুমি যুগদ্ৰষ্টা।
শিশুসুলভ মনেৰে সকলোৰে
হৃদয়ত তুলিলা কান্দোনৰ ৰোল।
নৰ পিশাচহঁতে নুবুজিলে তোমাৰ
জীৱনৰ মোল।
জনতাৰ চকুলোৰে
নৈ বোৱা তুমি নেদেখিলা,
তোমাৰ সমাধিত গামোচাৰ-পাহাৰো
তুমি নেদেখিলা।
কিন্তু অসমবাসীৰ তাৰ সাক্ষী হৈ ৰ'ল
মহানগৰলৈ যাওঁতে তোমাক
সদায় লগ পাম আত্মিকভাৱে
এয়া আমাৰ জনতাৰ কাম্য।●

# প্ৰাণৰ শিল্পী জুবিন দা

মৃদুলা দেৱী

হিয়াৰ আমঠু মানৰ দৰদী
প্ৰাণৰ শিল্পী তুমি অসম বাসীৰ,
জীয়াই থাকোতে পালা জানো
ইমান উপাধি
এতিয়াহে পালো তোমাৰ
আচল চিনাকী।
তোমাৰ হাঁহি কান্দোনৰ
টুকুৰা ছবি বোৰে কৰে আমনি।
শিশু সুলভ মন তোমাৰ,
ক্ষন্তেকতে হাঁহা ক্ষন্তেকতে কান্দা,
গান গাব খুজি তুমি উচুপি উঠা
তোমাৰ অন্তৰখন বেদনাৰে ভৰা।

সোণেৰে সজোৱা পঁজা
গাবলৈ আহিবানে ঘুৰি
তোমাৰ দুখতে আজি
অসমবাসীয়ে কান্দিছে উচুপি
শিশু পৰা বৃদ্ধলৈকে
তোমাৰ গানতেই ডুবি
মনটো উচুপি উঠে তোমাতেই সুঁৱৰি
বাটৰে শেষতে আঁহা যদি ঘুৰি

আদৰি আনিম আমি দুহাতে সাৰটি।
মানৱ দৰদী তুমি আছিলা দাতা কৰ্ণ,
তোমাক কৰিলে মানৱ নামৰ দানৱে
ধ্বংস।
তোমাক শুহি শুহি তোমাৰ তেজ খালে,
সম্পত্তিৰ পাহাৰ গঢ়ি
তোমাকেই মাৰিলে।
তুমি আছিলা জনতাৰ প্ৰাণৰ শিল্পী
তোমাতেই হৈছিল বিলীন জয়াল ৰাতি।
উচিত বিচাৰ নোপোৱালৈকে তুমি
জনতা নাথাকে হাত সাৰটি।
নতুন প্ৰজন্মই তোমাক জীয়াই ৰাখিব,
তোমাৰ গানেৰেই সপোন ৰচিব। ●

# তুমি আহিছিলা শীতৰ আবেলি

**লাৱণ্য ৰাণু ফুকন**

তুমি আমাৰ বাবেই আহিছিলা
অথচ আমি গমেই নাপালো।
তুমি যুগ যুগ ধৰি জীয়াই থাকিবা
পিছে তোমাৰ কণ্ঠই নতুন গীতহে
আওৰাব নোৱাৰিবা অতি দুখৰ কথাঙ্গ
তোমাৰ পুৰণি গীতবোৰেই
আমাৰ বেসুৰা কণ্ঠই
সুখতো, দুখতো নিগৰাই থাকিম।
ভৰাটো নাছিলো ইমান সোনকালে
এই ধৰাৰ পৰা বিদায় মাগিবা বুলিঙ্গ
অকণমান ইঙ্গিতো নিদিলা তুমিঙ্গ
কেনেকৈ দিবা তোমাক হত্যা কৰা বুলি
বহুতেই কৈছে দেখোনঙ্গ
সঁচা কৈ ষড়যন্ত্র কৰি সিহঁতে তোমাক
হত্যা কৰিলে নেকি বাৰুঙ্গ
সঁচাকৈ যদি হত্যা কৰিছে
তেওঁলোকৰ চৈধ্য পুৰুষৰলৈকে
ভূঞ্জিব লাগিব এইটো ঠিকঙ্গ
তোমাৰ দৰে শ-গুণৰ অধিকাৰী এজনক
সিহঁতে জন্ম বা উদ্ভাৱন কৰিবতো নোৱাৰেই
হত্যা কিয় কৰিলে, কিয়?
পাহাৰৰ সমান ধন ঘটিলেই
এতিয়া মানে তোমাক প্ৰয়োজন নোহোৱা হ'লঙ্গ
সিহঁত সঁচাকৈ মানুহ নহয়েই জন্তুৰ শাৰীটো নপৰেঙ্গ
দস্যু, ধনহে চিনি পাই সিহঁতেঙ্গ ●

# সময়

**ডিম্বেশ্বৰ ফুকন**

সময়
সঁচাকৈ তুমি বিস্ময়
উৎস বিহীন শক্তি, অসীম দ্রুতি
মহা বিস্ফোৰণ কিম্বা মহাশীতল যুগতো
যাৰ ৰূপ অম্লান।
তোমাৰ দেহত আছে স্মৃতিৰ অফুৰন্ত শোভা
বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টিৰ মহিমা
মানৱ সভ্যতাৰ ইতিহাসৰ জীয়া পৃষ্ঠা।
যীচুখৃষ্টই জেৰুজালেমৰ পৰা গল্‌গথালৈ যোৱা
বৰ্ণিল যাত্ৰা, পুষ্পক ৰথত উঠি সীতাৰ লংকালৈ গমন ,
কাৰাবালাত হজৰতৰ বিননি-
বিশ্বযুদ্ধৰ বিভীষিকাৰ জীৱন্ত সাক্ষী
তুমি চিৰযুগমীয়া।
বিদায় দিলেও গা এৰা নিদিয়া
চুই চাব বিচাৰিলে আঁতৰি যোৱা
ঘুৰি নোচোৱা।
অগন্য জনৰ লোতকেৰে সিক্ত স্মৃতিৰ কণাবোৰ দেখোঁ
তোমাৰ দিনলিপিৰ ফাঁকে ফাঁকে
নিৰবধি সোঁতত হেৰাই গ'ল।
চাব খোজা যদি নিজৰ দাপোনৰ
ঢাকোন খুলিলেই পাবা। ●

# এটা পাহাৰৰ মৃত্যু হ'ল

**কুঞ্জ বুজৰবৰুৱা,**

গান গাই থকা পাহাৰটো
হঠাতে সাগৰত খহি পৰিল
নিৰিবিলি পৰত --
পাহাৰৰ গাতে আউজি
আমি বহু গান শুনিছিলো
এখন বিশাল পথাৰত
সমবেত হৈ ডেকা, বুঢ়া সকলো
যেতিয়া সৰগৰ পৰা
বিজয় ধ্বনি ভাঁহি আহিছিল
পাহাৰটোৰ বুকুখন কঁপি উঠিছিল
এতিয়া পাহাৰটো সাগৰৰ বুকুত
চিৰদিনলৈ শুই পৰিল---ঙ ●

# যুগমীয়া জুবিন দা

**প্ৰবীণ মেধি**

নিতাল নিস্তব্ধ শ্মশানত বাজে
তোমাৰ সুললিত ৰাগিনী অমীয়া।
বিস্ময় বিশাল মহাশূন্যত ভাঁহে
তোমাৰেই সীমাহীন স্মৃতি যুগমীয়া

তুমিটো নহয় কোনো আন
তুমিয়ে আই অসমীৰ মান
কৃষ্টিৰ পথাৰখনি সুৰদি গীতেৰে চহাই
ৰুই গ'লা জাতিৰ স্বাভিমান।

তুমি কথা ক'লে
ৰ'দৰ ফুল ফুলে
সাৰে থাকে ৰাতিৰ
অলেখ জোনাকী পৰুৱা।
তুমি চুই দিলে
লুইতে ঢৌ তোলে
গৰ্বেৰে ওফন্দে বুকু
প্ৰতি অসমীয়াৰ।

জোনাক গলা, জাৰৰ নিশা
কোন যাযাবৰী শিল্পীয়ে গায় গানঙ্গ
যি গানে, নমাই আনে
নতুন সম্ভাৱনাৰ বসন্ত

যি গানে বোৱাই আনে
সুৰৰ আকাশী গংগা।

নৈ বৈ যায়
বৈ যায় পূবালী মলয়া শীতল
বৈ যায় স্মৃতিৰ দলিছা কোমল।
তুমি নাই, ক'তো নাই
হৃদয়ে কান্দে আজি হেৰুৱাৰ বেদনাত
অবুজ মন হয় শোক বিহ্বল।

মৰিশালীত কোনে বৈ বৈ বিনায়ঙ্গ
কাৰ গানে বৈ আনে অশ্রুৰ পাৰ ভঙা
জীয়াঢলঙ্গ
তুমি শুনা নাইঙ্গ
তোমাৰেই স্মৃতিত বুকু বিদাৰী কৰা
নিৰন্তৰ হাহাকাৰ,
নে তুমি দেখা নাইঙ্গ
অজস্র নিদ্রাহীন নয়নত বোৱা
বিষাদৰ বৰষুণ মুষলধাৰ।

মোৰ আজলি আইৰ
বুকুৰ কামি হাড়ৰ ভাঙি
কোনে কাঢ়ি নিলে
সযতনে সাঁচি ৰখা হিয়াৰ মাণিকঙ্গ
আপোনৰ তেজ শুহি
নোদোকা লম্বোদৰ হোৱা,
বিদেশক স্বদেশ ভাবি
নিজকে বেছি খোৱা

কোন সি প্ৰতাৰক বণিক?

এতিয়া জোনবাইৰ সতে মোৰ সঘনে
কথা হয়
জোনে মোক ৰিঙিয়াই
তোমাৰে কথা কয়।
তুমি যে আছা গৈ তৰাৰ দেশত
এটি উজ্জ্বল নক্ষত্ৰ হৈ।
বিলাই অনন্ত উদ্ভাসিত আভা
আই অসমীৰ বুকুলৈ।

গুপুতে গুপুতে অকলে এৰি থৈ
তুমি গ'লাগৈ
উভতি নহাৰ বাটে,
দি গ'লা অলেখ সঞ্জীৱনী সুধা
ৰচি গ'লা যাউতীযুগীয়া সুৰৰ ইতিহাস।
সেয়ে আজি সমস্বৰে নিগৰে
মায়াবিনী মাথোঁ মায়াবিনীৰ বন্দনা। ●

# বেলি মাৰ গ'ল

মৃণালী শইকীয়া বৰুৱা

বেলি এটা হৈ ওপজিলা
বহুমুখী ৰঙেৰে ৰঙীন আছিল তোমাৰ
তাপমাত্ৰা
তোমাৰ কিৰণত পৃথিৱী পোহৰাই
পেলালা
মধ্য বেলাতে হুমুনিয়াহ এটা হৈ কিয়
আঁতৰি গ'লা

তুমি এক কথাৰ মানুহ
যাওঁ বুলিয়েই গুছি গ'লা
সাগৰৰ তলিত শুবলৈ

কামিজটো খুলি থৈ গ'লা
এপাহি পুষ্পৰে বিষৰ্জন দিবলৈ
সুবাসৰ লালিত্য থৈ গ'লা
প্ৰেমিক চৰাইবোৰে শুনি শুনি কান্দিবলৈ

তোমাৰ চৰণযোৰক বুকুত সাবটি লৈ ফুৰা
খৰমযোৰেও নাজানিলে
তোমাৰ অন্তিম ঠিকনা
জনাহেঁতেন হয়তো ...। ●

# জীৱনৰ সুৰ - জুবিন

**কুঞ্জলতা বৰা নেওঁগ**

ৰাতিৰ এন্ধাৰ ফালি,
এজন দীঘল চুলিৰ ল'ৰাই গান গায়,
এসোপা হেঁপাহে সাৰ পায়
আই অসমীয়ে স্বস্তিৰ উশাহ সলাই
কোনোৱে বেদনাৰ মাজতো সুখ পায়,
কেতিয়াবা বিপ্লৱেও প্ৰাণ পায়
জাতিয়ে প্ৰাণৰ আপোন ভাবি
ঠেলা এটা মাৰি দিয়ে
ল'ৰাটো এখোজ আগলৈ যায়
সি সুখতো আছিল
সি দুখতো আছিল
সি বিপ্লৱী আছিল
সি প্ৰেমিক আছিল
সি দানি আছিল
সি মানিও আছিল
অদ্ভূত আছিল
কাকো ঘেন্টাও খাটিৰ নকৰো বুলিছিল
ল'ৰাটো সকলোৰে ঘৰৰ আছিল
ঈশ্বৰ পুত্ৰ আছিল
সি যুদ্ধ দেখিছিল,
ধোঁৱাও দেখিছিল,

মঞ্চতে হাঁহিছিল
মঞ্চতে কান্দিছিল
দুযোৰৰ দুপাত জোতা পিন্ধিছিল
খুঁটাত বগাইছিল
গানৰ জোৰেৰে মানুহ জিনিছিল
সি ইউকেলিপ্তাছ দৰে ওখ হ'ব
খুজিছিল
সি কাঞ্চনজংঘা আছিল।
সি গন্ডি আছিল
¿ü æÆ¯Åô Õ±ÿåÃ¼●

# জুবিন ঃ এটি অনুভৱী সত্তা

অনিতা শৰ্মা

সংগীতেই যাৰ আত্মা, গীতেই যাৰ ভালপোৱা
সংগীতৰ মাজেৰে ৰজীৱন জীয়ালা
অসমত সুৰৰ ঝংকাৰ তুলিলা
তোমাৰ সুৰৰ লহৰ গুঞ্জনে
উজলাই তুলিছিল অসমৰ মাটি
ৰচি গ'লা চিৰ জাগ্ৰত গান মায়াবিনী ৰাতি
তোমাৰ সাৰথি সেই বিশ্বাসঘাটক
সাগৰলৈ লৈ গ'ল তোমাক নিজৰ লগত
সাগৰৰ তলিত খোজে খোজে গানে গানে
তিতি আছে প্ৰেমৰ চুবুৰী
মৰিশালীৰ বিবৰ্ণতাৰে মানুহৰ বিবৰ্ণমুখত দিন-ৰাতি
সাগৰ তুমি ইমান নিষ্ঠুৰ
অসমীয়াৰ কণ্ঠ, এটা সূৰ্য্য কিয় গ্ৰাস কৰিলা ?
ছিংগাপুৰৰ ঢৌত ডুবি গ'লা
ঘৰৰ পৰা দূৰৈত অকলে হেৰাই গ'লা।
তোমাৰ বিশালতাত ডুবি গ'ল এটি গানৰ সুৰ
সকলো সপোন আধৰুৱা হৈ ৰ'ল
চিঙি গ'ল বন্ধুত্বৰ ডোল।
নিয়তিৰ কি যে খেলা সকলোকে কন্দুৱাই গ'ল
কোন দানৱে নুমুৱাই দিলে চাকিগছি
জোনাকত যে অসমীয়াই বাট নেদেখা হ'ল।
তোমাৰ অভাৱ পূৰাবলৈ কোনোৱেই নাই

উচুপি কান্দিছে হাজাৰ জনতাই
তুমি যে কাষত নাই।
তোমাৰ বুকুৰ তেজেৰে লিখা গীতবোৰ
আজি অসমবাসীৰ চকুলোৰ ঢল হৈ বাগৰিছে
তুমি নাথাকিলেও তোমাৰ গীতে
কোটি-কোটি জনতাৰ হৃদয় জিনি
অসমত উজলি উঠিছে।●

# তুমি অনন্য

**মণি কোঁৱৰ**

তুমি আছিলা অনন্য
তুমি কৰিছিলা মহৎবাণী
"মোৰ কোনো জাতি নাই
মোৰ কোনো ধৰ্ম নাই।
সেইবাবে আজি জাতি, ধৰ্ম বৰ্ণ নিৰ্বিশেষে
অজস্ৰ জনতা হ'ল তোমাৰ অনুৰাগী।
তোমাৰ বাণী হ'ল-
"কিতাপ নোহোৱা জাতিক
গামোচাই বচাব নোৱাৰে।"
তুমি অসমীয়া জাতিৰ গৌৰৱ,
তুমি অসমীয়াৰ জাতিৰ স্বাভিমান,
তুমি অসমীয়া জাতিৰ নক্ষত্ৰ
সেইবাবে আজি অসমীয়া জাতি
বিশ্ববাসীৰ পৰিচিত?
অসমৰ নহয়, ভাৰতৰ নহয়, বিশ্বৰ
কোটি, কোটি জনতাই আজি চিঞৰিছে
জুবিন গাৰ্গৰ ন্যায় লাগে,
ন্যায় লাগে, ন্যা. লাগে
সমস্বৰে কৈছে তুমি হেনো
অসমীয়াৰ হিয়াৰ আমঠু।
তোমাৰ গীতৰ কথাৰে সোঁৱৰিছো
তুমি নহ'লে উকা উকা আমাৰ অসম,
আমাৰ ভাৰত, আমাৰ বিশ্ব।●

# প্ৰকৃতি প্ৰেমী জুবিন

**তোযেশ্বৰ দুৱৰা**

জীৱনে মহীয়ান কৰা
মানৱতাৰ নিদৰ্শনত
আৰ্হি স্বৰূপ উদাৰতাৰে জুবিন
তুমি যেন আপোনভোলা শিশু।
বয়সে গঢ়ি তোলা জীৱনত
শিশুকালৰ দুষ্টামিৰ মাজতো
বয়সতকৈয়ো আগাবাঢ়ি যোৱা
প্ৰতিভা প্ৰদৰ্শনেৰে জুবিন তুমি
পৰিচয় দিছিলা পৌঢ়তাৰ।
প্ৰকৃতিক ভালপোৱা
নদী সাগৰ গিৰি বন
সবাৰো মাজতেই খেলি
ওচৰতে ৰাখি থ'ব খোজা
গছ বনৰ সহিতে
পশু-পক্ষীৰ লগতো বন্ধুত্বৰে
তুমি পাতিছিলা তোমাৰ হৃদয়ত
সহমৰ্মিতাৰ নিদৰ্শনৰ
প্ৰকৃতি প্ৰেমৰ পোহাৰ।
তোমাৰ কামনাৰ মানুহে গঢ়া
জাতি-জনজাতি উচ্চ নীচৰ
প্ৰাচীৰ নথকা বিশাল পৰিধিৰে

বিস্তৃত মানুহৰ সমষ্টিৰেই
একেখন পৃথিৱীতে সমভাৱে
বাস কৰিব পৰা পৰিৱেশ সৃষ্টিৰে
গঢ়িব পৰা এখন মানুহৰেই সমাজ।
বাসনাই ঢুকি পোৱা শিখৰলৈ গৈয়ো
তোমাৰ আদৰ্শৰে দেখুৱালা
সপোনৰ সংস্কৃতিৰ মানুহৰে সমাজ।●

# সুৰকণ্ঠ জুবিন গাৰ্গ

বিউতী শইকীয়া

তুমি সূৰ্য জাতীয় ঐক্যৰ
তুমি বীৰ্য সংগীত বন্যাৰ
তুমি বিপ্লৱ নৱ জাগৰণৰ
তুমি কণ্ঠ নৱ প্ৰজন্মৰ
তুমি প্ৰেমিক প্ৰকৃতি প্ৰদত্ত
নোলোৱা তুমি কাৰো দাসত্ব
তুমি অসমৰ জাতীয় সত্ত্বা
সিঁচি দিলা মানৱীয়তাৰ বাৰ্তা
তুমি নিশ্চিত, তুমি সুচিন্তিত
জাতি-ভেদ কৰিলা বিশৃংখলিত
ধনী-দুখীয়া, উচ্চ-নীচ
তোমাৰ সৃষ্টিত অৱহেলিত ।
গানেৰে সজাই গানেৰে পিন্ধাই
গানৰ গৰিমাৰে তুমি প্ৰণোদিত।
তুমি পুত্ৰ ব্ৰহ্মপুত্ৰৰ
তুমি সত্ত্বা মহা জগতৰ
তুমি অলৌকিক প্ৰণিধানযোগ্য ।
তুমি প্ৰবাহমান মানৱীয় কণ্ঠ
তুমি প্ৰণোদিত জীৱন উদীপ্ত
জয় জুবিন জয় জুবিন
চতুৰ্দিশে কেৱল উদাত্ত কণ্ঠ।●

# তৃতীয় মহাপুৰুষ

মামনি (বেবী) গগৈ শইকীয়া

আকাশ-মাৰ্গ তোলপাৰ কৰা
বোঁৰতী নদী,তোমাৰ কণ্ঠৰ ধ্বনি
জাতিৰ ধমনিত প্ৰৱাহিত
সাগৰখনি
কাল-ধুমুহাত মাতাল
চুনামি। এবোজা প্ৰীতি বুকুত সামৰি
নিস্বাৰ্থ সেৱাৰে দৰিদ্ৰৰ কাষ-চাপি
অসহায়ৰ হাতক দুহাতে সাৱটি
নাপালা প্ৰকৃত প্ৰাণৰ
বন্ধুক চিনি। শিল্পীৰ সাকোঁত জ্যোতি
ৰোপণ কৰি
জাতিৰ শক্তিত আছিলা এগছি বন্তি
ৰঙত জেউতি চৰোৱা এডালি
দণ্ডিকা
অৰ্দ্ধত দগ্ধ, তোমাৰ আলোক যাত্ৰা।
নিমিষতে শিশুৰ দৰে ঠেহ ধৰি
কিয় হ'লা ইমান অভিমানী?
তুমিতো নাছিলা নন্দৰ যদুমণি
মুক্তাকাশত ৰৈ গ'ল অৰ্দ্ধ
চন্দ্ৰ ওলমি। শান্তিক উদ্দেশ্যি সাগৰত
খালা হাবাথুৰি
বিশ্ৰামত জাতি-ধৰ্ম কৰিলা একমুঠি
ত্ৰিলোকে তোমাক নাযায় পাহৰি
মহান তুমি
তৃতীয় জন মহাপুৰুষ। ●

# শলিতা

**প্ৰতিমা বুঢ়াগোহাঁই**

হঠাতে গোঁসাই ঘৰৰ
শলিতা গচি নুমাই গ'ল
চৌপাশে অমানিশাৰ
এন্ধাৰখিনিয়ে আৱৰি ধৰিলে

এন্ধাৰৰ মাজতে কলিজাটো
খেপিয়াই চালোঁ
অনুভৱ কৰিলোঁ
বুকুখন ফাটি
কলিজাটো সংগোপনে গুচি গ'ল
ছায়াঘন এচমকা ডাৱৰ হৈ

আকাশখন গাত মেৰিয়াই লৈ
খন্তেক উজান-ভাটি কৰি
কলিজাটো শুই পৰিল
নিশব্দে নিতালে
আইৰ কোলাত

লগে লগে বাজি উঠিল
আইৰ মুখত
এটি নিচুকনি গীত
"মায়াবিনী ৰাতিৰ বুকুত" ●

# জুবিন তুমি পুনৰ উভতি আহা

অনিমা বৰুৱা

কেনে আছা তুমি.....
সুৰৰ সম্ৰাট জনতাৰ শিল্পী
কেনে আছা তুমি???
আজি বহুদিন হ'ল
সুৰ, তাল, বাদ্য, শব্দ প্ৰাণহীন হ'ল।।
আজি মাথো অসমীয়াৰ প্ৰাণে প্ৰাণে
সপ্তসুৰৰ কৰুণ ৰাগিণী বাজে।।
পশ্চিমৰ অচিনাকী বতাহজাকে
যেতিয়া তুমি নোহোৱাৰ বাতৰি আনে
নিমাত নিস্তব্ধ প্ৰকৃতিৰ কোলাত
বনৰ পশু-পক্ষীয়ে নীৰৱে চকুলো টুকে।।
তুমি নোহোৱাৰ দিন ধৰি উদাসী চকুবোৰে
শূন্য আকাশক বাৰে বাৰে প্ৰশ্ন কৰে
দূৰ দিগন্তত ভ্ৰমি ফুৰা চৰাইবোৰে
জানোচা তোমাৰ বাতৰি আনে।।
তুমি নাই বুলি ক'লে
নাহৰ পাতৰ পৰা চকুলো সৰে।।
বিনিদ্ৰ ৰজনী ভগ্ন হৃদয়ৰ জাগ্ৰত জনতাই
সমাধিৰ প্ৰতিটো ধূলিকণাত
তোমাৰ অস্তিত্ব বিচাৰি ফুৰে।।

তোমাৰ সুৰৰ ভাষা বুজিব নোৱাৰা
তোমাৰ হৃদয়ৰ আহ্বান শুনিব নোখোজো
এচাম নিকৃষ্ট স্বাৰ্থলোভী মানৱৰূপী দানৱে
নিজকে বিখ্যাত কৰিব খোজে তোমাৰ নামেৰে
প্ৰত্যুত্তৰ দিবলৈ আজি কোনো নাই।
য'তেই আছা তুমি কুশলে থাকা
মনুষ্য জনম যদি পুনৰ পোৱা.......
আকৌ এবাৰ উভতি আহা।। ●

# হে নমস্য তোমাক চিৰ বিদায়

প্ৰিয়ংকা ফুকন

আজি মনটো আৰু গধুৰ হৈ আহিছে
বুকুত এটা গধুৰ শিলৰ বোজা
তোমাৰ চিতাৰ দপদপীয়া জুইকুৰা
আমাৰ বুকুতো জ্বলিছে দপ্ দপ্কৈ
উহঙ্গ বৰ অসহনীয়, বৰ কষ্ট
এনে দৃশ্য কল্পনাতীত...
তোমাৰ দেহ আজি জ্বলি-পুৰি ছাই হৈ
যোৱাৰ লগতে আমাৰ বুকুখনো নিঃশেষ হৈ গ'ল অ'...
বুকুখন একেবাৰে মোচৰ খাই গ'ল।
তুমি গুচি গ'লা কোনো কালে আৰু
উভতি অহাৰ বাটেৰে এক অচিন
ঠিকনালৈ
যি ঠিকনা বৰ্তমানলৈকে আমাৰ পৰিচয়
নাই
অশ্ৰুসিক্ত নয়নেৰে অশ্ৰু অঞ্জলি
নিবেদিছো তোমাৰ চৰণ যুগলত।
কুশলে থাকিবা মৃত্যুৰ সিপাৰে। ●

# দুৰ্ল্লভ

ৰীতা হাজৰিকা

জুবিনদা
কোনোদিনে উভতি নহাৰ বাটেৰে
গুচি গ'লা তুমি সাগৰৰ তলিত শুবলৈ
আৰু আমি মৰুভূমিত মৰিচিকা বিচৰাৰ দৰে
তোমাক বিদাৰি হাঁহাকাৰ কৰি আছো।
জুবিন দা
তুমি আমাৰ বাবে এতিয়া যেন সাগৰৰ তলিত এটি মাণিক
যাক পাব খুজিও পাব নোৱাৰি
তুমি জানা সাগৰৰ গভীৰতাৰ কথা
সাগৰৰ বহল বক্ষত তোমাৰ মুক্ত বিচৰণ
তুমি জিৰণি লৈ থাকা এখন বহল
চাদৰ আঁচলৰ ছাঁত।
তুমি আমাৰ বাবে এতিয়া যেন এটি সৰগৰ মোহনীয়া তৰা
যাক আকাশৰ বুকুৰ পৰা চিঙি আনিব খুজিও
আনিব নোৱাৰা
তুমি হাঁহি থাকা অলেখ তৰাৰ স'তে
নীলা আঁচলৰ ছাঁত
তুমি জানা নীলা ৰঙৰ
ৰহস্যৰ কথা।
তুমি আমাৰ বাবে, আমাৰ বাবে এতিয়া
আকাশ জোনাক কৰি তোলা চন্দ্ৰমা
যাক ডাৱৰৰ বুকু ফালি
টানি আনি কোলাত নোৱাৰো
তুমি খেলি থাকা লুকা-ভাকু

ডাৱৰৰ মাজে মাজে
ৰামধেনুৰ ৰহণ সানি
কলীয়া ডাৱৰে যেতিয়া কৰি তুলিব আকাশ অন্ধকাৰ
ধুমুহাৰ গতিৰে ইফাল-সিফাল কৰি
মেঘে মেঘে যেতিয়া কৰি উঠিব গৰ্জন
তেতিয়া তুমি ভাবিবা
সেউজ পৃথিৱীৰ কথা।
আৰু তেতিয়া
তেতিয়া তুমি পপীয়া তৰা হৈ
নামি আহিবানে আমাৰ এই
অকণমানি পৃথিৱীখনিলৈ ?
বাটৰে শেষতে আমি
বাট চাই থাকিম তোমালে।●

# জোনাকৰ মায়া

**মৃদুস্মিতা হাজৰিকা**

তুমিটো জোনাকেৰে
মিতিৰালি কৰি ভাল পাইছিলা।
সুৰৰ মূৰ্চ্ছনাৰে
পৃথিৱীলৈ পোহৰ ছটিয়াই ভাগৰি
নপৰি
জোনৰ দৰে জিলিকি ৰৈছিলা, তোমাৰ
সুবিশাল সৃষ্টিৰ
অনেক কাহিনীয়ে আজি বুকুতে
হাহাকাৰ কৰি উঠিছে।
সাগৰে জানিছিল
তোমাৰ বিশালতা
তোমাক বুকুত সাৱটি
আজি সাগৰ নিতাল
তোমাৰ জয় ধ্বনিৰে
অসমী আইৰ বুকু
আজি আলোড়িত
হে পূণ্যআত্মা, তোমাৰ বাবে আজি
ব্যাকুল তোমাৰ প্ৰেমত বিলীন এসাগৰ
জনতা।

তোমাৰ সুৰ আৰু শব্দৰ প্ৰেমত বলিয়া
মানুহৰ
বাবে তুমি যে ঈশ্বৰৰ পুত্ৰ , মায়াময়
জোনাকৰ মাজত, মেঘৰ বুকুত তোমাৰেই
প্ৰতিচ্ছৱি
তুমি তৰা হ'ব নুখুজিছিলা আজি
তৰা বোৰ ব্যাকুল তোমাক কাষতে
পাই, আজি পৃথিৱী উদাস, তোমাক
স্বৰ্গলোকৰ অতিথি হোৱা দেখি।
আজি জনতাই কান্দিছে,আকাশে
কান্দিছে, বতাহে কান্দিছে, তুমি বিহীন
পৃথিৱীত আমি যে বৰ অসহায়।●

# জুবিন তোমাৰ নামেৰে এটি কবিতা

ললিত শইকীয়া

লিখিবলৈ লও বুলিলে এটা কবিতাৰ পংক্তি
হঠাৎ অনুভৱ খিনি হেৰাই থাকে
উকা কাগজ, কলম আৰু টেবুল
এইখিনিও নিজৰ ভাৱনাতে যেন মছগুল
কিমানবাৰ গুঠিবলৈ লও বৰ্ণমালাৰ শব্দ
শব্দৰে ভৰাই ৰাখিবলৈকে কবিতাৰ গৰ্ভ
আজিচোন তুমিয়েই নাই
পৃথিৱীৰ বুকুৰে গৈ সাগৰ ভৰাই ৰাখিলা
থাকি গ'ল মাথো
গঁড় আৰু চাহৰ লগতে জুবিন তোমাৰ নাম।
সেয়েহে
আজি মোৰ কলমেৰে বুলাব পৰা নাই
জুবিন নামেৰে এটি কবিতাৰ নাম। ●

# যুগ স্ৰষ্টা জুবিন গাৰ্গ

**পদ্মেশ্বৰ পেগু**

আজিছোন গভীৰ নিশা,
নীৰৱতা এটি নিস্তব্ধতা ,
মনে একো ভাল নলগা হৈছে,
বুকু চাটিফুটি
কিবা যেন উদং উদং।

গান, কবিতাবোৰো
সম্পূৰ্ণ হোৱা নাইছোন আজি।

অহোৰাত্ৰি অনাবিল
তোমাৰ গান, কবিতা
শুনিছো, মাথোঁ শুনিছোঁ অদ্যপি
কৰিছো অনুশীলন।

জুবিন দাঙ্গ কেউফালৰ এটি শব্দ
গুজৰি গুমৰি আহে
বৈ বৈ বিনাইছে এটি মিঠা সুৰ
আবেগ আৰু নিৰাশা ভৰা শূন্যতাৰ। ●

# অসম চেতনা

ৰেৱতী হাজৰিকা

খহি পৰিল অসমৰ
সংগীত আকাশৰ ধ্ৰুৱতৰা,
জুবিন গাৰ্গৰ মৃত্যুত
বিশ্বত শোকৰ বন্যা।
এয়া অকল্পনীয় অনাকাংক্ষিত
অসহনীয় দুখৰ খবৰ,
চল্লিশটা ভাষাত আঠত্ৰিছ হেজাৰৰো
অধিক গীতত কণ্ঠদান জুবিনৰ।
সংগীতলৈ যোগোৱা অৱদানে
অমৰ কৰি ৰাখিব জুবিনক,
সহস্ৰ জনতাৰ কণ্ঠ জাগিব
চিৰদিন জীৱনত।
অৱমান হ'ল অসমীয়া
জাতিৰ অমৃত কম্ঠ।
ছিংগাপুৰৰ পূৰ্বাঞ্চল উৎসৱ
সংগীত পৰিৱেশনলৈ গৈ,
সাগৰৰ বুকুত মগ্ন যাবা
দেশলৈ ঘুৰিল নিথৰ দেহ লৈ।
আকাশে বতাহে মাথোন নিদাৰুণ
বিষাদ সৰ্বত্ৰ বিৰাত শূন্যতা
হিলদ'ল ভাঙি ওলাই আহিল শোৰ্কাত
হেজাৰ হেজাৰ জনতা।
চৌদিশে কেৱল উচুপণি
জুবিন অমৰ হওঁক,
জুবিন গাৰ্গৰ মুখ্য বিচাৰ
ন্যায় হওঁক, ন্যায় হওঁক ●

# জুবিন গাৰ্গ

প্ৰিয়ংকা বৰা ফুকন

অসম আজি স্তব্ধ
স্তব্ধ আজি আকাশ, স্তব্ধ আজি বতাহ
স্তব্ধ আজি জোনাক
স্তব্ধ আজি নদী
স্তব্ধ আজি সাগৰৰ ঢৌৰ গতি।
স্তব্ধ আজি জনতাৰ হৃদয়ৰ গান
স্তব্ধ আজি খোজৰ গতি।
বাকৰুদ্ধ আজি অসমীয়া জনতা।
প্ৰতিজন অসমীয়াই কাঢ়িছে হুমুনিয়াহ....
বুকুৰ মাজত তীব্ৰ বিষেৰে
মৌন ওঁঠেৰে
অশ্ৰু নিগৰি উঠিছে আজি
প্ৰত্যেক জনতাৰ
অসম আৰু অসমীয়াৰ হিয়াৰ আমঠু,
হীৰাৰ টুকুৰা,
এটুকুৰা বাখৰ
এটুকুৰা আপুৰুগীয়া মানৰ সম্পদ
আজি আৰু নাই......
উহঃ বৰ অসহনীয়
হৃদয় বিদাৰক
অসমৰ, ভাৰতৰ জনতাৰ তেজে তেজে
শিৰে শিৰে তুমি
আছিলা বৈ....
অসমে তোমাক লৈ কোনোদিনেই

কল্পনা নকৰা এটি
নিষ্ঠুৰ সত্য - “মৃত্যু”
তুমি বাস্তৱ ৰূপ দিলা।
দি গ'লা কোনো কাহানিও
পূৰণ কৰিব নোৱাৰা
এক বিস্তৰ “ক্ষতি” -
তোমাৰ স্পষ্টবাদিতা আৰু সাহসিকতাৰ বাবে
অসমবাসীৰ বাবে তুমি “সাহস” হৈ আছিলা
তুমি কোনোদিন মৰিব নোৱাৰা “ সাহস” হৈ আছিলা
তুমি কোনোদিন মৰিব নোৱাৰা “জুবিন দা”
অসমীয়াই তোমাক কোনোদিনেই
মৰিব নিদিয়ে।
তুমি “অমৰ” হৈ থাকিবা
অসমীয়া জনগণৰ মনত, প্ৰাণত।
কাবৌ কৰিছো “জুবিন দা”
অসমৰ ভূমিতেই আকৌ জন্ম লোৱাহি
আধৰুৱা কামবোৰ কৰি যোৱাহি।

# জুবিন দা অমৰ হওঁক

**মৃতিচা ফুকন**

অসম আজি স্তব্ধ
স্তব্ধ আজি অসমৰ একোটা
একোটা ঠাই...
স্তব্ধ আজি সংগীত
অসমৰ নক্ষত্ৰস্বৰূপ ভোটা
তৰাটো আজি গ'লগৈ
অসমৰ হৃদয়
বুকুৰ ধপ্‌ধপনি শুনিলো নিজৰ
কৰ্ণৰে
নিজৰ ওপৰত বিশ্বাসেই
হোৰা নাই
তুমি যে ইমান সোনকালে গ'লাগৈ
টোপনি নহা হৈছে তোমাৰ
কথা ভাৰি ভাৰি
তোমাৰ অবিহনে আজি অসম
আন্ধাৰ হৈ গ'ল জুবিনদা
তোমাৰ দৰে যিমানে আৰু
জুবিম নাথাকক কিয় তোমাৰ
কণ্ঠৰ অভাৱ কোনেও পূৰ
কৰিব নোৱাৰে।
আমি বহুত দুখ পাইছো জুবিন দা
তুমি আজি নথকাৰ বাবে।
কোটি কোটি জনতাই আজি
তোমাক শ্ৰদ্ধাঞ্জলি জনাইছে
তোমাৰ পাছৰ যাত্ৰা যাতে শুভ হওঁক।
সেইয়াই ভগৱানৰ ওচৰত মোৰ
কোটি কোটি প্ৰাৰ্থনা। ●

# এজন ৰজাৰ কাহিনী

**জুমি দেৱী**

উত্তৰ পুৰুষে পঢ়িব আৰু জানিব
পুৰ্ব্বপুৰুষৰ অসমৰ এজন ৰজাৰ কাহিনী
নিৰপেক্ষ
প্ৰতিবাদী
অপ্ৰতিৰোধ
যাৰ কোনো জাতি কোনো ধৰ্ম
হাততো কোনো অস্ত্ৰ নাছিল
যাৰ নামেই তৰোৱাল।
ৰজাজনে সৰলতা আৰু মানৱতাৰ পোছাক
পিন্ধি
বিচৰণ কৰিছিল প্ৰজাৰ মাজত
তেওঁৰ হৃদয় আকাশৰ দৰে উদাৰ
সাগৰৰ দৰে বিশাল।
জাতি মাটিৰ বাবে গান ৰচা
ৰজাজনৰ কণ্ঠ উদাত্ত।
প্ৰজাৰ মাজত থাকি তেওঁ কণ্ঠৰে
যেতিয়াই গান নিগৰাইছিল
সাগৰত জোৱাৰ উঠিছিল
ডাৱৰেও বৰষুণ হৈ কান্দিছিল
নদীও থমকি ৰৈছিল
প্ৰকৃতিক ভালপোৱা
অমাতৰ মাত বুজি পোৱা
ৰজাজনৰ আছিল এক সুৰীয়া সত্তা

হে উত্তৰ পুৰুষঙ্গ
সেই সত্তাৰ পৰিধি জুখি নাচাবা
বিকৃতি নকৰিবা
তেওঁৰ বৰ্ণিল ব্যক্তিত্ব
জীয়াই ৰাখিবা ৰজাজনৰ শিল্পীসত্তা
চিৰসেউজ গীতৰ মালিতা
আৰু যদি লগ পাব বিচাৰা
সোণাপুৰলৈ গৈ মৰমতে মাতিবা
জয় জুবিন দা। ●

# হেৰোৱাৰ বেদনা

স্মিতা হাজৰিকা

শোকৰহু ভৰত দুখবোৰ
চকুলো হৈ নিগৰিছে
শোকার্ত হৃদয়ৰ মণিকোঠাত
হেৰুৱাৰ বেদনাই
বৰপীৰা পাৰি নিগাজীকৈ বহিলঙ্গ
আজি অতদিনে
যোৱাৰ দেখোন নামকে নলয়।
আকাশে- বতাহে ভাহি থকা
মায়াবিনীৰ ৰাতিৰ বুকুত
তোমাৰ জীৱন্ত ছবি বিচাৰি;
আশাই ছাঁ-পোহৰৰ বুকুত
থিতাপি লৈ নিমাওমাও পদূলিলৈ
অগা-দেৱা কৰিছে বৰকৈ।
শেতেলীত থকা আতাই
কাণ উনাই থাকেঙ্গ
কিজানিবা নাম লোৱা মন ভাই
হৰিৰ বিনে গতি নাই বুলি
গোৱাজনৰ কিবা বাতৰি পায়।
যোৱা নিশা পুৱতি পুৱাতে
ওলাই যোৱা ভাইটি আহি পালে
নাহৰ ভালপোৱাজনৰ মন্দিৰৰ পৰা;
চুবুৰীৰ সকলোৱে বেৰি ধৰিছে

সি কন্দনৰত কণ্ঠেৰে কৈ আছে;
অস্পৃশ্য শ্মশান যে হাজাৰ
বস্তিৰে আলোকিত হৈ পৱিত্ৰ ভূমিলৈ
উত্তৰিত হৈ সম্প্ৰীতিৰ সুবাস বিলাইছে;
নেদেখিলে সেইয়া বিশ্বাস নহয়ঙ্গঙ্গ
জাতি ধৰ্ম নিৰ্বিশেষে,
ভাই ভাই মনোভাৱেৰে একত্ৰ হৈ
বাটৰে শেষত বাট চাই তেওঁ লৈ
অধীৰ অপেক্ষাৰে ৰৈ আছে,
কিজানিবা দেখা দিয়েহি
নিজৰ ধৰণেৰেঙ্গঙ্গ
কৃতঘ্ন বগলী ভকত সকলৰ
শাস্তিৰ প্ৰবল দাবী
চৌদিশে গুঞ্জৰিত হোৱাত
জনতাৰ বুকুৰে বুকুৰে নিগৰিছে
হঠাতে কেনিনো হেৰাল
মনৰ চোতালৰে জোনাকঙ্গঙ্গঙ্গ ●

# এজন ঈশ্বৰৰ মৃত্যুত

ভূবন গৌতম

মানুহবোৰে যাক, ঈশ্বৰ, ভগৱান, আল্লা
অথবা অন্য যিকোনো নামেৰে ভাগ কৰি
লৈছে।
নিজৰ অভীষ্ট সিদ্ধিৰ বাবে দিনে নিশাই
পূজা, প্ৰাৰ্থনা অথবা ইবাদত কৰিছে।
যি নেকি সকলোৰে বাবে সৰ্বশক্তিমান,
সৰ্ব দুখ দুৰ্গতি বিনাশী, পৰম শক্তিশালী।
মই তেনে কোনো ঈশ্বৰক কোনো দিনে
দেখা নাই, জনা নাই কিম্বা অস্তিত্বৰো
কোনো অনুভৱ কাহানিও কৰা নাই।
কিন্তু এজন ঈশ্বৰৰ মৃত্যু দেখিলোঁ,
যিজনক স্বচক্ষে দেখিছিলোঁ, সোঁশৰীৰে
সাক্ষাৎ কৰিছিলোঁ ।
মই সেই ঈশ্বৰক বহুবাৰ লগ পাইছিলোঁ,
বহুতো শুনিছিলোঁ, কিন্তু জনা নাছিলোঁ,
মই বিচাৰি থকা ঈশ্বৰ সেইজনেই বুলি।
মৃত্যুৰ পাছত জানিছিলোঁ, তেওঁৰ সেই
সত্বা, সৰ্বশক্তিমান ঈশ্বৰৰ অন্য এক যেন
তেওঁ অৱতাৰ ।
যাৰ মৃত্যুত, ধৰ্মৰ নামত মানুহবোৰে
বেলেগে বেলেগে সজা মন্দিৰ, মছজিদ,
গীৰ্জা, দৰগাহৰ দৰে ভগৱানৰ ঘৰবোৰত
একেলগেই বাজি উঠিছিল শোকৰ
বিননি ।

মানুহবোৰে কালিলৈকে বুকুত সাঁচি ৰখা
ভেদাভেদৰ অহংকাৰৰ পাহাৰ খহাই
উচুপি উঠিছিল ইজনে সিজনক সাৱটি।
মই তেনে এক ঈশ্বৰৰ মৃত্যু দেখিলোঁ,
য'ত নেকি অসমী আইৰ ইতিহাসত,
কস্মিনকালেও, কোনো ঘটনা, কিম্বা
কাৰোবাৰ মৃত্যু শোকত স্তব্ধ হৈ পৰা
নাছিল কাহানিও ।
সেয়া লাগিলে কোনো বিদ্ৰোহী সংগঠনৰ
ৰঙা চকু, কোনোবা ছাত্ৰ সংগঠনৰ দাবী
ধমকিতো ভয় নকৰা, সেইজন মানুহ
কিন্তু - -
এই ঈশ্বৰৰ মৃত্যুত,কালৈকো ভয় নকৰা,
কাহানিও স্তব্ধ হৈ নপৰা এই মানুহজাকক
তিনি দিন, চাৰি ৰাতি সম্পূৰ্ণ স্তব্ধ হৈ পৰা
দেখিলো ।
দেখিলোঁ, বুঢ়া কি মেথা, ডেকা, গাভৰু,
আবাল বৃদ্ধ বনিতাৰ চকুত চকুলো
দেখিলোঁ, বুকুত অথাই শোকে খুন্দিয়াই
থকা দেখিলোঁ।
যিবোৰ হৃদয়ত, ভূপেন দা কি, লতা
মংগেশকাৰ, অটল বিহাৰী বাজপেয়ী,
অথবা এপিজে কালামৰ মৃত্যুত
শোকগ্ৰস্ত হৈ পৰা দেখা নাছিলোঁ।
দেখা নাছিলোঁ, এখন হাতত মম লৈ,
অথবা এগছি বন্তি লৈ আনখন হাতেৰে
চকুপানী মোহাৰি মোহাৰি প্ৰিয়জনৰ
মৃত্যুত শ্ৰদ্ধাঞ্জলি দিয়া।
কিন্তু দেখিলোঁ এইজন ঈশ্বৰৰ মৃত্যুত,

এই মানুহবোৰে শোকাহত লৈ সন্মুখত
ফটো ৰাখি হেৰুৱাই পেলোৱা নিজৰ
প্ৰিয় ঈশ্বৰক একাঁজলি শ্ৰদ্ধা যচা।
দেশৰ জৰুৰী অৱস্থা, অথবা ক'ভিদ
মহামাৰীৰ দৰে সংকটপূৰ্ণ সময়ত,
চৰকাৰ, প্ৰশাসনৰ কঠোৰ বাধা নিষেধ
নামানি, সাংস্কৃতিক অনুষ্ঠান পাতি উদ্দাম
নৃত্য গীতেৰে, যিবোৰ মানুহে আকাশ
বতাহ কপাই তুলিছিল।
এই জন ঈশ্বৰৰ মৃত্যুত, সেই মানুহবোৰে
দূৰ্গতি নাশিনীৰ পূজাৰ বাবে পতা মণ্ডপে
মণ্ডপে, দেখিলোঁ নিজৰ আৰাধ্য দেৱীৰ
সমানে সমানে এইজন ঈশ্বৰক, ধুপ
ধূনা, তামোল পাণ, মাহ প্ৰসাদৰ শৰাই
আগবঢ়োৱা ।
এইজন ঈশ্বৰৰ মৃত্যুত জীৱনত
প্ৰথমবাৰৰ বাবে , পূজাৰ মণ্ডপবোৰত
দেৱীৰ স্তুতিৰ সলনি, প্ৰাৰ্থনা হৈ, কৰুণ
বিননি হৈ বাজি উঠা দেখিলোঁ, শুনিলোঁ,
এটি ৰোমান্টিক গীতৰ কলি, মায়াবিনী
ৰাতিৰ বুকুতে-----
মই তেনে এজন ঈশ্বৰৰ মৃত্যু দেখিলোঁ।●

# কথাবোৰ

লোহিত বৰুৱা

কথাবোৰ নদীৰ পকনীয়াৰ দৰে
ঘূৰ্ণীয়মান
কথাবোৰ শিলৰ দৰে
কঠিন,অবিশ্বাস্য,অম্লান ।
কথাবোৰ মৌৰ দৰে মিঠা
কথাবোৰ শিলিখাৰ দৰে কেঁহা ।
কথাবোৰ সমুদ্ৰৰ দৰে গভীৰ
ছুনামিৰ ঢৌৰ দৰে অস্থিৰ।
কথাবোৰ ঘঁৰিয়ালৰ চকুপানী
কথাবোৰ পাহাৰৰ পৰা বৈ অহা
স্ৰোতস্বিনী ।
তোমাৰ কথাবোৰত আছে নিজস্ব সুৰ
যিয়ে কথাই মন-প্ৰাণ পেলাই জুৰ ।
কথাবোৰ গিৰজনিৰ অৰণ্য
কথাবোৰ মৰ্মস্পৰ্শী,কাৰুণ্য।
কথাবোৰ বেদনাৰ জুইৰ উত্তাপ
কথাবোৰ নিঃস্ব জনৰ দুঃসময়ৰ বিলাপ ।
কথাবোৰ শেৱালি ফুলৰ সুগন্ধৰ দৰে
আমোলমোল
কথাবোৰ অচিন পখীৰ মনপৰশা
কল্লোল।
Î ûò ÷±ûþ¶õÏ 1±¿ Â üÅñÂüÅ¼

# নাহৰ

মিনা নেওগ হাজৰিকা

নাহৰ, তই কিয় তলমূৰ কৰি আছ হাঙ্গ
দুখ নকৰিবি মই নাই বুলি।
তই যেনেকৈ মোক হাতবাউল দি মাতি আছিলি
মোৰহঁতে কথা পাতিছিলি,
এতিয়াও তেনেকৈয়ে থাকিবি।
দেখা নাইঙ্গ শত সহস্ৰ গুণমুগ্ধই
তোৰ তলতে বৈ
তিনিদিন তিনিৰাতি পাৰ কৰিলে
মই নথকা ঘৰখন চাবলৈ
সিহঁতে নিজৰ জীৱনকো তুচ্ছ কৰি দিব পাৰে মোৰ বাবে।
সিহঁত বৰ সাহসী অ'
কিন্তু, কিন্তু মই এতিয়া বৰ ভাগৰুৱা অ'
মোক জিৰাবলৈ দে।

ঐ নাহৰ, তই কিয় তলমূৰ কৰি আছ হাঙ্গ
দুখ নকৰিবি মই নাই বুলি।
তইতো জানই মই শান্তি ভাল পাও।
সোনাপুৰৰ কমাৰকুছিৰ প্ৰকৃতিৰ
মনোৰম দৃশ্যই....।
কিয় জানো বহু দিনৰে পৰা মোক
হাতবাউল দি মাতি আছে।
সেয়েহে ভাবিছোঁ তাতেই শান্তিৰ
শীতল পূজা এটি সাজি জিৰণি লম
তয়ো থাকিবি। মোক ছাঁ দি থাকিবি।

কিন্তু, কিন্তু মই এতিয়া বৰ ভাগৰুৱা অ’
মোক জিৰাবলৈ দে।

ঐ নাহৰ, তই কিয় তলমূৰ কৰি আছ হাঙ্গ
দুখ নকৰিবি মই নাই বুলি।
বহাগ আহিলে মই তোক আকৌ নচুৱাম
বিহু মঞ্চলৈ মোৰ অনুৰাগীসকলক
তই হাতবাউল দি মাতিবি।
ঢোল, পেপাঁ, গগনা আৰু মোৰ গীতৰ সুৰেৰে
তোক মই আদৰি আনিম
তই প্ৰান ঢালি নাচিবি।
নাছি, নাছি তই কেতিয়াও ভাগৰি নপৰিবি
কেতিয়াও...
কিন্তু, কিন্তু মই এতিয়া বৰ ভাগৰুৱা অ’
মোক জিৰাবলৈ দে। ●

# শূন্যতাৰ কবিতা

**কুলধৰ কোঁৱৰ**

গীত এটিৰে সুহুৰিয়াই গ'ল তেওঁ
ভায়োলিনৰ মিহি তাঁৰ এডাল ছিগিল।
বুকুত টুকুৰিয়াই কবিতা এটিৰ কুহুমীয়া
লুণীয়াখিনি দি
তেওঁ গ'লগৈঙ্গ
সাগৰৰ পৰা নিখুজ হ'ল তেওঁ
মনিক বিচাৰি জন সমুদ্ৰত জোৱাৰ
উঠিছে জনতাৰ দুখৰ কোলাহল
শংখৰ দৰে নিনাদিত যাৰ প্ৰাৰ্থনা আকুল
নৈৰ স্বপ্নক আৰু সাগৰৰ বিশালতাক
তেওঁ ভাল পাইছিল
চঞ্চলা বোঁৱতি প্ৰৱাহৰ পৰা উত্তাল
জলৰাশিলৈকে
সেয়ে তেওঁ বিচাৰি ফুৰিছিল
প্ৰেমৰ জখলা
ৰ'দৰ পদূলি
মায়াবিনী পৃথিৱী
গানে কি আনে তেওঁ জানিছিল
দেশ মাটি সীমাৰ পৰিধি গানৰ মুক্ত
পক্ষীৰ সহজ বিচৰণ
এখনেই শুকুলা আকাশ
যি আকাশ তোমাৰো আমাৰো
উশাহ দি আকুল কৰা মোৰ বুকুৰ পৰা
তোমাৰ বুকুলৈ
ঢপলিয়াই অহা সুখৰ মুদ্ৰা মায়াবিনীৰ
জোন

জীৱনৰ জোখাৰে তুমি গান আছিলা
সঁচাই
পৃথিৱীৰ বাবেও এটা গান আছিলা ,
মাটিক চিনি পালে, মানুহক ভাল
Â±Ü, Î› ¶1 Â১ ñ Ò± ±ÜÄÂÜঙ্গ
ৰৈ ৰৈ বিনায়
বুকুখন বৰকৈ বিষায় অ’ঙ্গ
বুকুখন বৰকৈ বিষায় ঙ্গ
জনতাৰ বাবে লিখা গীতবোৰ বুকুলৈকে উজায়
জনতাই এতিয়া সমস্বৰে তোমাৰ বাবে
গীত গালে
কাজলি হোৱা এই সমুদ্ৰত
মৌন ওঁঠ, ধোৱা আৰু ছাইৰ বিমূৰ্ত ছবি
যেন মায়াৰ মাজত ছাঁয়া
ছাঁয়াৰ মাজত মায়া
উকা কেনভাচত কোনেনো আঁকে ৰঙীন
ঊষা
ৰৈ ৰৈ বিনাই বীণ
বুকুখন বৰকৈ বিষায় অ’
বুকুখন বৰকৈ বিষায় ঙ্গ
সমুদ্ৰ দেখিছোঁ আজি
কেৱল সমুদ্ৰ
কাজলি হোৱা এই সমুদ্ৰত
জোৱাৰে খহায় ওঁঠৰ কবিতাঙ্গ
বুজাব নোৱাৰি নজহা নপমাখিনি
তথাপি কওঁ
সমুদ্ৰৰ জোখাৰে
তোমাক ভাল পাব পাৰোঁ হে দেৱতা ঙ্গ ●

# ফুল হালধীয়া...

**যতীন বৰা**

মই সুখৰ দোকান খুলিছোঁ
বহু ৰেহাই মূল্যত বেছি আছো হাঁহি
তুমিও আহা
আগুৱাই দিয়া দুহাত খুলি হাতৰ মুঠি...

শীতৰ কোমল ৰ'দত বহি
চাই আছোঁ
সৰিয়নী এডৰা
ভৰ দুপৰীয়া
চকুৰে নমনালৈ হালধীয়া...

উফ্ঙ্গ ইমান ভৰুণ পথাৰ
কাৰ গানৰ তালে- তালে
হালে-জালে, নাচে-বাগে
চৰাই মাতত নে গৰখীয়াৰ বাঁহীৰ সুৰত
ইমান যে তই হাঁহ
চঞ্চল নৈ খনক জোকাই নল'বি
বুকুলে তোক আঁজুৰি ল'ব...

ক' চোন ক' ...
কোন কবিৰ কবিতাৰ ছন্দ লাগি
যৌৱন পালি
তই গাভৰু হ'লি
ৰং দিলি বুকুত ফুল হালধীয়া...●

# ন্যায় পাবই লাগিব

সীতা দেৱী

অভিশপ্ত পয়ালগা দিনটোৰ কথা
এখন্তেক ও পাহৰিব পৰা নাই,
সাগৰৰ উত্তাল তৰংগ
উশাহ্ ধৰি ৰখাৰ অপ্ৰাণ চেষ্টা
মহানায়কৰ,
কাৰো যেন ভ্ৰূক্ষেপে নাই....
অট্টহাস্য পিশাচ কেইটাক ....
সিহঁত ৰংৰইচত মচগুল।
কি নিদাৰুণ,
কি অসহ্য দৃশ্য...
হৃদয় ফাটি যাব খোজে।
মানৱতাৰ অপমৃত্যুত
ৰস পাণ কৰা দানৱ কেইটা
কিমান নিষ্ঠুৰ...
ভাবিলেই ভয় লাগে।
মানুহ কিমান নিষ্ঠুৰ হ'লে
এনে দুষ্কাৰ্য কৰিব পাৰে?
অভিশপ্ত পয়ালগাদিনটোৰ কথা
ভাবিলেই বুকু কঁপি যায়।
আনলৈ বুলি সবৰ্স্বদান কৰা যুগ পুৰুষৰ
কবৰত;

সিহঁতে অট্টালিকা সাজিব...
হাঁহিব.... আনন্দ কৰিব
আৰু আমি হিয়াত আজন্ম
অসমীয়া প্ৰাণক উজ্জীৱিত কৰিম সৰ্বকাল।
সিহঁতে ভুগিব লাগিব...
এদিন হ'লেও নৰক যাতনা পাব লাগিব,
জুবিন গাৰ্গে ন্যায় পাবই লাগিব
¿Â «ðÃÂ±î Â¿æÃù ¿ßÁï ±¿ßÃý×ù ±¿áÂ¼ ●

# প্ৰাণৰ শিল্পীজনলৈ...

অতুল শইকীয়া

হে মোৰ প্ৰাণৰ শিল্পী...
আন্ধাৰত আলোকৰ জ্যোতি সিঁচি
জীৱন সাগৰত সাঁতুৰি-নাদুৰি
ঢৌৱে ঢৌৱে ঢৌ খেলি তুমি
মানৱ প্ৰেমৰ অমোঘ মন্ত্ৰ লৈ
গাইছিলা হিয়া ঢালি
মা, মাটি আৰু মানুহৰ গান।
মানৱ প্ৰেমৰ অমোঘ মন্ত্ৰ লৈ
লক্ষজনৰ বুকুত অনুৰণিত কৰি
মঞ্চৰ সুকোমল সেউজী দলিচাত
সাজিছিলা গানৰ বিশাল স্বৰ্ণৰ সৌধ।
তোমাৰ হৃদয় তন্ত্ৰীত বাজি উঠা
সহস্ৰ শ্ৰোতাক জনাইছিলা আহবান
কেৱল অমানিশা গানেৰেই সজা হওক
দিশহাৰা মানুহে মানুহৰ ঘৰ
য'ত কোনো জাতি নাই
য'ত কোনো ধৰ্ম নাই
জীৱ-জন্তু, নদ-নদী পাহাৰ-পৰ্বত
আৰু মানুহ কেৱল লগৰী যাৰ
তোমাৰ গানেই হওক মিলনৰ ঘৰ।
সেয়ে আজিও গাই আছো আমি
সাৰে থকা অমানিশাৰ গান
গাইছো সাগৰতলীত শোৱা গান।
গাইছো কেৱল মায়াবিনীৰ...
কেৱল মায়াবিনী ৰাতিৰ বুকুত... ।●

# এতিয়া মই তৰা গণো নিৰবে

**ৰিমঝিম শইকীয়া ডেকা**

“অলপ দিন হৈছে
কি হৈছে কিয় হৈছে
বুজিবলৈ বা বুজাবলৈ
একোৱেই নোহোৱা হৈছে,”
কোমল অন্তৰৰ
সুকোমল হৃদয় বোৰ
স্তব্ধ হৈ পৰিছে....
সাগৰখন যদি কেতিয়াবা
শুকাই গ’ল হেঁতেন...
আকাশখন যদি
এদিনৰ বাবেও
শুই পৰিল হেঁতেন..
তোমাক যদি আকৌ এবাৰ
নয়ন জুৰাই চাব পাৰিলো হেঁতেন...
এতিয়া তুমি নপতা কথা বোৰ
শুনিবলৈ বাৰে প্ৰতি
মন যায় মোৰ...
যদি কেতিয়াবা সাগৰ শুকাই
তেতিয়া লগ পাম তোমাক...
তোমাৰ গীতে এতিয়া
চৌদিশ ৰজনজনাই
তোমাৰ শেষ শয়নত
প্ৰতিদিনে মই জিৰণি লওঁ...
আঁউসীৰ ৰাতি এতিয়া

মই তৰা গণো নিৰবে
বতাহেওঁ এতিয়া অথালি পথালি কৰে...
তুমি কোৱাৰ দৰে
চিঞৰি চিঞৰি ক'বলৈ
মন যায় মোৰ...
"কলীয়া মেঘে
ঢাকিচে ঐ...
ধুনীয়া জোনৰ
মুখনি ঐ..." ●

# সাগৰৰ প্ৰেমত নপৰো আৰু

ৰিংকু বৰুৱা

বহুত দিন হ'ল
সাগৰৰ লগত
মোৰ মনোমালিন্য হোৱা
সাগৰৰ নীলা নীলা
ঢৌৰ উত্তাল তৰঙ্গই
এতিয়া মোক
আ !!দিত নকৰে
লিখিব নোৱাৰো মই
সাগৰৰ বুকুলৈ চাই
হৃদয় জুৰ পৰা কবিতাৰ
সমাহাৰ।
সাগৰে নুবুজে
হৃদয়ৰ কথা
নাজানে মানুহৰ বাবে
মানুহে সৰ্বস্ব ত্যাগ কৰাৰ কথা
অক্লান্ত জনক সাগৰে
নকৰে সহায়
ঢৌ খেলি চুনামী উঠাই
নিজৰ তৃপ্তি লভে মাথোঁ
আৰ্ত জনৰ।
সেই বাবেই বেয়া পাওঁ
আজিকালি  সাগৰক।
যদিও  সৃষ্টিৰ আদিতে সাগৰ
মোৰ আজন্ম প্ৰেমিক আছিল।●

# কাইলৈ হেনো কাঁচি জোন ওলাব

চন্দ্ৰ কুমাৰ দত্ত

মোৰ নিৰলা পজাত
আলফুল সপোনে ৰং সলায়,
হেঁপাহৰ সিমনাত
বিচাৰি পাও
অনন্য মাদকতা,
তুমি তুমি ল'গা সপোনে
হাঁহিৰ জুৰিটি বৈ
এসাগৰ ভালপোৱাৰে
প্ৰাপ্তিৰ দলিচাত
ওমলি জামলি
সুখৰ সৰগ ৰচো,
অজানিতে গুণগুণাই
আইৰ মুখৰ নিচুকনি
গীতবোৰ আওৰাই
ঠেটুৰৈয়ে ধৰা শৈশৱলে
উভতি যাও,
আজি আজি ল'গা
মোৰ নিৰলা পজাত
আমি ইজনে সিজনৰ
বুকুৰ স্পন্দন শুনা পাও,
থৰ লাগি চাই ৰও
মুকলি আকাশলৈ,
কাইলৈ হেনো
আন্ধাৰ ফালি
কাঁচি জোন ওলাবঙ্গ●

# জুবিন তোমালৈ শ্ৰদ্ধাঞ্জলি

জিনু বৰা

চেপ্তেম্বৰৰ ঊনৈশ তাৰিখ, হঠাৎ সকলোকে
আচৰিত কৰি তুমি গুচি গ'লা অজান
দেশলৈ, কেতিয়াওঁ ঘূৰি নহাৰ বাটেৰে।
মৃত্যুৰ আগতেই তোমাৰ কণ্ঠৰ এটি
গীতৰ কলি শুনিছিলোঁ, "সাগৰ তলিত শুবৰে মন"।
সঁচাকৈয়ে সাগৰৰ তলিতে শুলাগৈ গৰিমাৰ অজ্ঞাতে।
লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ বিমান বন্দৰৰ পৰা
পুষ্পসজ্জিত বাহনেৰে নশ্বৰ দেহ কাহিলি পাৰালৈ
আনোতে চালকে কান্দি কান্দি গাড়ী চলাইছিল, অগণন লোকে
গাড়ী পিছে পিছে দৌৰিছে তেওঁক এবাৰ চোৱাৰ হেঁপাত।
ছয় ঘন্টা লাগিছিল বিমান বন্দৰৰ পৰা কাহিলিপাৰা যাওঁতে,
দেশ-বিদেশৰ জনতা আচৰিত, জনতাৰ সমাগম দেখি।
সৰুসজাইত তোমাৰ নশ্বৰ দেহত পুষ্পবৃষ্টিয়ে জনালে শ্ৰদ্ধাঞ্জলী
আকাশৰ পৰা কেতিয়াও দেখা নোপোৱা ওলোটা ৰামধেনুৱে
শ্ৰদ্ধাঞ্জলী জনালে, আচৰিতঙ্গ
অসমীয়াৰ হিয়াৰ আমঠু জুবিন, তুমি সঁচাকৈয়ে ভগৱান।
টি.ভি. চাই থাকোতে দেখা পালোঁ প্ৰকৃতিৰ বিভিন্ন জীৱকূলে
তোমাক জনালে শ্ৰদ্ধাঞ্জলি সেইয়া কুকুৰেই হওঁক।
জুবিন তুমি সঁচাকৈয়ে ভগৱান, নতুন প্ৰজন্মৰ প্ৰেৰণা।
নতশিৰে প্ৰণাম জনাই গালো , "মায়াবিনী ৰাতিৰ বুকুত...."●

# শিতানত ৰাধাচূড়া নে ৰজনীগন্ধা

ৰাণু দত্ত শইকীয়া

মোৰ সৈতে মিতিৰালি কৰা ৰাধাচূড়া জোপাই
পুৱতি নিশাতে আজি মোক জগাই দিলে
সাৰ পাই উঠি দেখিলো
জোনাকৰ বুকুচাত চিকমিকাই আছে
ফুলে পাতে ৰূপালী ৰং
নাচি নাচি উৰামাৰি ৰাধাচূড়া জোপাই
খিৰিকিখন মেলি
অলপ পাছতে বৰষুণ আহিব
জুনুকা কঁপাই ফুলবোৰ
খোলা খিৰিকিৰে সোমাব লাগিব
শিতানত মুৰ থৈ বাট চাই আছিলো
তুমি ৰাধাচূড়া নে ৰজনী গন্ধা
কি আছিল তোমাৰ নাম ?
ৰাধাচূড়া নে ৰজনীগন্ধাঙ্গঙ্গ●

# জুবিন নাই বুলি কোনে কয়ঙ্গ

আইচেনা টাং শইকীয়া

জুবিন আৰু নাই বুলি কোনে কয়ঙ্গ
জুবিন আছে জীয়াই
প্ৰতিজন নৱপ্ৰজন্মৰ হৃদয়ৰ গভীৰ কোণত
জীয়াই আছে প্ৰবল ধুমুহা হৈ
প্ৰতিটো তেওঁৰ গানৰ কলিৰ মাজত।
সকলোৰে হৈ নিয়তিক এটি প্ৰশ্ন
কিয়নো বাৰু পৰমাত্মাক প্ৰেৰণ কৰি
জীৱাত্মাক জগাই লৈ,
তেওঁ জীৱনত দাগ লগালে?
এনেহেন অমূল্য জীৱনটিক
জীয়াই থাকিবলৈ অকনমান সময়
কিয়নো বাৰু দিব নোৱাৰিলা?
এই বিশাল প্ৰিয় জনসমুদ্ৰৰ বহু দূৰত
সুদূৰ চিংগাপুৰৰ গভীৰ সমুদ্ৰৰ মাজত
ডুবগৈ মৃত্যুক সাৱটি ললে বুলি সকলোৰে কয়।
নিষ্ঠুৰ নিয়তিয়ে নিদিলে সংগ্ৰামী জীৱনৰ
সুউচ্চ আকাশ চুবলৈ।
কিন্তু সেই বিদেশ ভূমিত তেওঁৰ কায়িক
ভাবেহে হৈছে অৱসান,

আকৌ ঘুৰি আহিব প্ৰবিত্ৰ নিজ মাতৃভূমিলৈ
মহান আত্মাই গাবলৈ জয়গান।
প্ৰতিজন নৱপ্ৰজন্মই দেহা আৰু আত্মাক একেলগ কৈ
সমাজত যুক্তি, প্ৰশ্ন আৰু নিৰ্ভীক উত্তৰ
দিয়াৰ সংগ্ৰামী ভাষাৰ গান গাবলৈ।
এই বিশ্বত সোণালী আখৰেৰে খুদিত হোৱা
আন আন অমৰ ব্যক্তি সকলৰ দৰে
জুবিনো থাকিব জীয়াই অসমৰ ভোটাতৰা ৰূপে।
সমাজ পৰিবৰ্তনৰ তুমুল সংগ্ৰামৰ
বীৰ সেনানীৰ সেনাপতি হৈ
জীয়াই থাকিব একৈশ শতিকাত,
আৰু তাৰপাছত, তাৰ পাছত হাজাৰ বছৰলৈ।
প্ৰতি প্ৰজন্মৰ বিশাল বুকুৰ মাজত
জীয়াই থাকিব অসমৰ ভোটাতৰা হৈ,
ভাৰত মাতৃৰ ভোটাতৰা হৈ
বিশ্বৰ বুকুত খ্যাতিমান নক্ষত্ৰ হৈ।
জুবিন আৰু নাই বুলি কোনে কয়,
জুবিন আৰু নাই বুলি কোনে কয়ঙ্গ●

# মই জুবিন দা, মই কাঞ্চনজংঘা

বেণুধৰ পাঠৰী

মোৰ প্ৰতিটো তেজৰ কণিকাত
মোৰ প্ৰতিটো গানতে উমান পাওঁ
মোৰ প্ৰতিটো নিশ্বাসতে গোন্ধ পাঁও
অসমৰ সেমেকা ৰসাল মাটিৰ।
মই সপোন দেখো
মোৰ কোনো জাতি নাই,
মোৰ কোনো ধৰ্ম্ম নাই,
মই হ'লো কাঞ্চনজংঘা।
মোৰ প্ৰতিটো দৃষ্টিতে ধৰা পৰে
অসমৰ সেউজীয়া ধাননী পথাৰ।
মোৰ প্ৰতিটো দৃষ্টিতে নিক্ষেপ কৰে
জয়মতী, লাচিত, মুলাগাভৰু, কনকলতা
উদ্দীপ্ত বুকুৰ তেজ।
মই কাঞ্চনজংঘা, মোৰ প্ৰতিটো
স্থাপত্য, ভাস্কৰ্য্যতে ধৰা পৰে
নিভাঁজ সুকুমাৰ চিত্ৰকলা।
মোৰ প্ৰতিটো চিন্তাই, মোৰ প্ৰতিটো
গানই অসমৰ বুকুত ৰছে
শইছ সোণোৱালী ভৱিষ্যৎ সপোন।
মোৰ বুকুৰ পঞ্চিভূত বেদনাৰ আছে

নিগ্ৰো, মঙ্গোলীয়, অষ্ট্ৰিক, টাই আহোম
আৰ্য, দ্ৰাবিড়ৰ সংস্কৃতি গাঁঠা।
যাক জাতি বুলি ভাবা তাৰে
সংমিশ্ৰণ মই জুবিনদা, মই কাঞ্চনজংঘা।
মই জীয়াই আছো আৰু জীয়াই থাকিম
বিচিত্ৰ মাজত ঐক্য হৈ
বৰ লুইতৰ বুকুত।
আদিৰ পৰা অনন্তলৈ বৈ থকা
তীক্ষ্ণ লুইতৰ গতি ধাৰাতে
মই গতি কৰো,
মই জুবিন দা,
সাগৰ তলিৰ
পৰা পৰ্ব্বৰ্তৰ শৃংগলৈ... ।●

# জুবিন গাৰ্গ এটি ঈশ্বৰপ্ৰদত্ত শক্তি প্ৰকৃতিৰ

ৰেখা ভূঞা

জুবিন এটি সত্তা এটা জাতিৰ
নাৰৰ গুৰি বঠা স্তব্ধ হ'ল
দিক্ বিদিক হেৰুৱাই কালৰ কুটিল গতিত
ৰৈ গ'লো আমি
মাতৃভূমিৰ পৰা আঁতৰি ৰ'লাগৈ সুদূৰত,
লাজাৰুছ দ্বীপত
আজি সাগৰে বিনাইছে
প্ৰকৃতিয়ে বিনাইছে।
নীলা পানীৰ মাজত য়টত
কিৰিলীৰে স্বাগতম জনাইছিল তোমাক
কিছুমান মিছলীয়াই
উভটনি যাত্ৰাত নিঠৰ হৈ
আহিলা তুমি
ঈশ্বৰপুত্ৰ
গৰিমাই অশ্ৰুসিক্ত নয়নেৰে
পামীক কাষত লৈ বাট চাই আছে
ন্যায়ৰ বাবে
তুমি অবিহনে বিহুতলীয়ে বিনাই উঠিব
ভোকাতুৰ সকলৰ ভোক মাৰ নাযাব
এতিয়া তুমি যে প্ৰকৃতিৰ পুত্ৰ।●